বৈকুণ্ঠনাথ কবিৰত্ন ভাগৱত-ভট্টাচাৰ্য্য

( ভট্টদেৱ ) বিৰচিত

# শ্ৰীশ্ৰীমদ্ভাগৱতকথা

বা

# কথা-ভাগৱত

( ১ম স্কন্ধ )

শ্ৰীৰামদেৱ অধিকাৰ গোস্বামী

সংগৃহীত

পাটবাউসী সত্ৰ—বৰপেটা

প্ৰকাশক

লয়াৰ্চ বুক ষ্টল,

গুৱাহাটী

৺বৈকুণ্ঠনাথ কবিৰত্ন ভাগৱত-ভট্টাচাৰ্য্য

( ভট্টদেৱ ) বিৰচিত

# শ্ৰীশ্ৰীমদ্ভাগৱতকথা

বা

# কথা-ভাগৱত

( ১ম স্কন্ধ )

শ্ৰীৰামদেৱ অধিকাৰ গোস্বামী

সংগৃহীত

পাটবাউসী সত্ৰ—বৰপেটা

CALL NO. 891.45
GOS

২য় সংস্কৰণ

প্ৰকাশক

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী

প্ৰকাশক ঃ
শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা, বি-এল,
( এডভোকেট )
লয়াৰ্চ বুক ষ্টল
গুৱাহাটী, অসম।

মূল্য—১৲ টকা

মুদ্ৰাকৰ ঃ
শ্ৰীতীৰ্থনাথ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট্, কলিকতা-৬

# পাতনি

সকলো শাস্ত্ৰৰ প্ৰণেতা নিজে বৈকুণ্ঠপতি ভগৱান নাৰায়ণ। যেতিয়া জগদ্‌গুৰু কৃষ্ণ দ্বৈপায়ন ব্যাসদেৱে বেদ, বেদান্ত, পুৰাণাদি ৰচনা কৰিও যথাৰ্থ শান্তি নেপালে, তেতিয়া তেওঁ বেজাৰ কৰি বদৰিকাশ্ৰমত সৰস্বতী নৈৰ পাৰত যোগাসনত বহি ধ্যানাৱস্থাত থাকোতে পূৰ্ণ পুৰুষ আৰু তেখেতৰ অধীনা মায়াক দৰ্শন পায় ( ভাগৱত ১।৭।৪ )। সেই সময়ত দেবৰ্ষি নাৰদ বৈকুণ্ঠৰপৰা আহি ব্যাসদেৱক চতুঃশ্লোকী ভাগৱতৰ উপদেশ দি কয়,—"তুমি ইমান শাস্ত্ৰ প্ৰণয়ন কৰিলা, কিন্তু উত্তমশ্লোক ভগৱান শ্ৰীকৃষ্ণৰ গুণানুকীৰ্ত্তন কৰি তেওঁৰ লীলা যথাযথভাবে ক'তো প্ৰচাৰ কৰা নাই। এতিয়া তুমি সেই কৰ্ম্ম কৰা আৰু তাৰপৰা শান্তি পাবা।" এই আদেশ অনুসৰি ব্যাসদেৱে ভাগৱত ৰচনা কৰে। এয়ে ভাগৱতৰ প্ৰথম সূত্ৰপাত।

দ্বিতীয়তে, পৰীক্ষিত ৰজা ব্ৰহ্মশাপত পৰি মুঠেই সাদিন পৰমায়ু থাকোতে গঙ্গাৰ পাৰত শুকদেৱৰ মুখৰপৰা ভাগৱত শুনে। তৃতীয় আলোচনা হয় নৈমিষাৰণ্যৰ নিমিষ ক্ষেত্ৰত। তাত সূত গোস্বামীয়ে মুনিসকলৰ আগত সেই ভাগৱত ব্যক্ত কৰে। তেতিয়াৰপৰাই ভাগৱতৰ প্ৰচাৰ হয়।

গৰুড় পুৰাণত কৈছে :—

"অৰ্থোঽয়ং ব্ৰহ্মসূত্ৰাণাং ভাৰতাৰ্থবিনিৰ্ণয়ঃ।
গায়ত্ৰীভাষ্যৰূপোঽসৌ ৱেদাৰ্থপৰিবৃংহিতঃ॥

অৰ্থাৎ ভাগৱত ব্ৰহ্মসূত্ৰৰ অৰ্থ, মহাভাৰতৰ তাৎপৰ্য্য, গায়ত্ৰীৰ ভাষ্য আৰু সকলো বেদৰ ভাবেৰে পৰিপূৰ্ণ। ভাগৱতৰ মহত্ত্ব হৈছে— যেতিয়া শ্ৰীকৃষ্ণই পৃথিবী এৰি গোলোক ধামলৈ গুচি গল আৰু প্ৰকাশ্য লীলা সম্বৰণ কৰি ললে, তেতিয়া মূঢ়মতি জীৱসকলৰ কাৰণে এই পুৰাণ-শাস্ত্ৰ সূৰ্য্যৰ দৰে উদয় হ'ল ( ভাগৱত ১।৩।৪৩ )।

শ্ৰীধৰ স্বামীয়ে ভাগৱতক "সুৰতৰু" বুলি উল্লেখ কৰিছে ; ইয়াত সকলো শাস্ত্ৰৰ সাৰ কথা আছে। তাৰ ৰসৰ সোৱাদ পালে অন্য শাস্ত্ৰলৈ হেঁপাহ নেথাকে। শ্ৰীকৃষ্ণৰ কৃপা নহলে ভাগৱতৰ ৰস উপলব্ধি নহয়। ভাগৱত জ্ঞানশাস্ত্ৰ আৰু ভক্তিশাস্ত্ৰ দুয়ো। জ্ঞান আৰু ভক্তিৰ মাজত প্ৰভেদ অতি কম। ওপৰত দিয়া গৰুড় পুৰাণৰ শ্লোকটোত ভাগৱতৰ জ্ঞান প্ৰচাৰ কৰাত শ্ৰেষ্ঠতা প্ৰতিপাদিত কৰিছে। নাৰদ পঞ্চৰাত্ৰত ইয়াক ভক্তিৰ সাৰ বুলি কৈছে আৰু মুক্তিৰ উপায় বুলি কৈছে :—

গ্ৰন্থাষ্টাদশসাহস্ৰং দ্বাদশস্কন্ধসম্মিতম্।
শুকপ্ৰোক্তং ভাগৱতং শ্ৰুত্বা নিৰ্বাণতাং ব্ৰজেৎ॥

যথাৰ্থতে ভাগৱত জ্ঞানী ভক্তৰ প্ৰাণৰ বস্তু। অন্যপক্ষে, সকলো শ্ৰেণীৰ অধিকাৰীৰ কাৰণে সাধাৰণভাৱে নৱবিধ ভক্তিৰ পন্থা দেখুৱাই গৈছে।

নাৰদ পঞ্চৰাত্ৰত আৰু কৈছে :—

কৃষ্ণায় যাদৱেন্দ্ৰায় জ্ঞানমুদ্ৰায় যোগিনে।
নাথায় ৰুক্মিণীশায় নমো ৱেদান্তৱেদিনে॥

ইয়াত শ্ৰীকৃষ্ণক জ্ঞানতত্ত্বৰ আধাৰ বুলি কৈছে আৰু তেওঁক যোগীও বুলিছে। ভাগৱতক যোগ-শাস্ত্ৰও বুলিব পাৰি। ব্যাসত কৈছে—"যোগেশ্বৰেশ্বৰে কৃষ্ণে যত্ৰ এতদ্বিমুচ্যতে।" এইদৰে বহুত স্থলত শ্ৰীকৃষ্ণক যোগী বুলি উল্লেখ কৰা আছে। গীতাৰ শেষতো 'যত্ৰ যোগেশ্বৰো কৃষ্ণো" বুলি যোগেশ্বৰ বিশেষণ দি শ্ৰীকৃষ্ণক উল্লেখ কৰিছে। শ্ৰীকৃষ্ণৰ গাত জ্ঞান, যোগ আৰু ভক্তি তিনিও তত্ত্বৰ সামঞ্জস্য হৈছে আৰু সেইমতে ভাগৱতত এই তিনিওটা তত্ত্বৰ ব্যাখ্যা কৰা হৈছে :—"ব্ৰহ্মেতি পৰমাত্মেতি ভগৱানিতি শব্দ্যতে"—শ্ৰীকৃষ্ণ ব্ৰহ্ম, পৰমাত্মা আৰু ভগৱান। ভাগৱত কোনো সম্প্ৰদায়ৰ গ্ৰন্থ নহয়। শ্ৰীকৃষ্ণ সকলোৰে। "শ্ৰী"যুক্ত কৃষ্ণৰ "শ্ৰী" হৈছে :—

যা নিত্যা চিদ্‌ঘনানন্তা গুণৰূপৱিৱৰ্জ্জিতা।
আনন্দা সা পৰা শুদ্ধা ব্ৰাহ্মী শ্ৰীৰভিধীয়তে॥

শ্ৰীকৃষ্ণ পৰম ধাম, জগতৰ ধাম। সাধাৰণৰ পক্ষে তেওঁক হৃদয়ঙ্গম কৰা অসাধ্য। তেওঁ নিজে কৈছে—"যততামপি সিদ্ধানাং কশ্চিন্মাং বেত্তি তত্ত্বতঃ।" তেওঁ মানুহ আৰু ভূতমহেশ্বৰ দুয়োটা ভাবৰ সামঞ্জস্য। তেওঁ অজ, জন্মৰহিত। সাধাৰণভাবে মাতৃগৰ্ভত জন্ম হোৱা নাই। তেওঁৰ পূৰ্ণত্ব বিকাশ পায় ৰাসমঞ্চত। তাত তেওঁ পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্ত্তা পদকমলৰ ৰসত পৰিপূৰ্ণ হৈ ওলাই পৰিছে। তেওঁ ৰসস্বৰূপ। ভাগৱতৰ ৰাস-পঞ্চাধ্যায় হৈছে অতি সোৱাদ বস্তু। গোপীসকলৰ কৃষ্ণ বিৰহত যি বিলাপ বৰ্ণনা কৰিছে সেয়ে ৰাসৰ সাৰাংশ। কিছুমান মানুহে ৰাসৰ বিষয়ে অবাবতে কোনো কোনো প্ৰশ্ন কৰে। সেই প্ৰশ্নবিলাকৰ সমাধান পৰীক্ষিত ৰজাই প্ৰশ্ন কৰি স্বয়ং শুকদেৱৰ হতুৱাই কৰাই থৈছে।

এয়ে ভাগৱতৰ সংক্ষেপ বিৱৰণ। আমাৰ দেশত ভাগৱত অতি আদৰৰ বস্তু। শ্ৰীধৰ স্বামীৰ ব্যাখ্যাকে আমাৰ সমাজত গ্ৰহণ কৰে। এই বিষয়ে কাশীক্ষেত্ৰত স্বয়ং মহাদেৱে এক দৈৱবাণী কৰে :—

অহং বেদ্মি শুকো বেত্তি ব্যাসো বেত্তি ন বেত্তি ৱা।
শ্ৰীধৰো সকলং বেত্তি শ্ৰীনৃসিংহপ্ৰসাদতঃ॥

কিন্তু এই ব্যাখ্যাও চলিত দেশীয় ভাষাত নথকাত সকলোৰে বোধগম্য নাছিল। সেই অভাৱ দূৰ কৰিবলৈ এজন অদ্বিতীয় পুৰুষে প্ৰায় ৪৫০ বছৰ আগেয়েই অসমীয়া ভাষাত ভাগৱত ৰচনা কৰে আৰু সেই গ্ৰন্থখনিয়েই এই "কথা-ভাগৱত"। ইয়াক গদ্যত ৰচনা কৰে। সেই সময়ত ভাৰতৰ অন্য কোনো ভাষাতেই গদ্য ৰচনা হোৱাৰ প্ৰমাণ নাই। এনে স্থলত এই কথা-ভাগৱতেই—কেৱল অসমীয়া ভাষাতে নহয়, ভাৰতৰ সকলো ভাষাৰ ভিতৰত প্ৰথম গদ্য ৰচনা।

এই কথা-ভাগৱতৰ প্ৰণেতাজনক চলিত কথাত ভট্টদেৱ বুলি উল্লেখ কৰে। কিন্তু তেখেতৰ নাম আছিল বৈকুণ্ঠনাথ দেৱ কবিৰত্ন। ভাগৱত শাস্ত্ৰত অগাধ ব্যুৎপত্তি থকাৰ কাৰণে তেখেতক "ভাগৱত ভটাচাৰ্য্যও" বুলিছিল। এক প্ৰসিদ্ধ আৰু পৱিত্ৰ বংশত তেখেতৰ

জন্ম হয়। কোনো বিস্তাৰিত জীৱন চৰিত্ৰ পোৱা নেযায়। কিন্তু বহুত পৰিযত্ন কৰি স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীদেৱে তেখেতৰ এটি সংক্ষেপ জীৱনী সংগ্ৰহ কৰে। তাৰ ভিতৰতে বহুত জ্ঞানপূৰ্ণ আলোচনা কৰি গোস্বামীদেৱে সেই জীৱনীটিকে ভট্টদেৱ প্ৰণীত কথা-গীতাৰ মুখবন্ধ স্বৰূপে প্ৰকাশ কৰিছে। ভট্টদেৱ দামোদৰদেৱৰ প্ৰিয় আৰু প্ৰধান শিষ্য আছিল। দামোদৰদেৱৰ নিৰ্দ্দেশমতে কথা-ভাগৱত লেখা হয়। ভট্টদেৱ এজন অদ্বিতীয় পণ্ডিত আছিল। তেখেতৰ বিষয়ে আমাৰ দেশত কোনো বিশেষ আলোচনা হোৱা নাই। এই দুৰ্দ্দশীয়া দেশত নহৈ অন্য দেশত জন্ম হোৱা হলে তেখেতৰ নাম আজি গোটেই ভাৰততে ফাটি-ফুটি গলহেঁতেন।

দামোদৰদেৱে নিজ ভতিজাক কৃষ্ণদেৱ আৰু শিষ্য ভট্টদেৱক কোচবিহাৰলৈ মাতি পঠিয়ায় আৰু দুয়োকো সম্ভাষণ কৰি কয়—"তোমালোক দুয়ো মোৰ অতি আপোন, এনেস্থলত মই তোমালোকক কওঁ। মোৰ অন্তিম কাল উপস্থিত। এতিয়া তোমালোকে কোনে কি পাৰা সুখাদ্য খাবলৈ দিয়া। এই কথা শুনি কৃষ্ণদেৱে বহুত মিষ্টান্ন তৈয়াৰ কৰি দামোদৰদেৱক দিয়েগৈ। ভট্টদেৱে কথাৰ তত্ত্ব বুজি ভাগৱতখনি কথাত ৰচনা কৰি দামোদৰদেৱক সমৰ্পণ কৰে। দামোদৰদেৱে ভতিজাকে দিয়া মিষ্টান্নলৈ চকুকে নিদিলে, কিন্তু ভট্টদেৱৰ ৰচিত কথা-ভাগৱতখনি ভৱৰোগৰ মহৌষধ বুলি আদৰেৰে গ্ৰহণ কৰিলে *। ইয়াৰ পিছতেই ভট্টদেৱ আদি সত্ৰ পাটবাউসীৰ অধিকাৰ হয়। পাটবাউসীৰপৰা ব্যাসকুছি, কেওঁটকুছি, নমাটি আদি অন্য সত্ৰবিলাকৰ সৃজন হয়। ভট্টদেৱেনো কিমান গ্ৰন্থ প্ৰণয়ন কৰিছিল আজিলৈকে তাৰ নিৰ্ণয় হোৱা নাই। বৰ্ত্তমানলৈকে তেখেতৰ ৰচিত তলত লেখা গ্ৰন্থ কেইখনি পোৱা গৈছে:—

(১) ভক্তিসাৰ (সংস্কৃত)

(২) ভক্তি-বিবেক (সংস্কৃত)

---

* দামোদৰদেৱৰ আজ্ঞামতে গোপাল চৰণ দ্বিজে ভাগৱতৰ তৃতীয় স্কন্ধৰ পদ ৰচনা কৰিছিল।

(৩) ভাগৱত অধিকৰণ (সংস্কৃত)
(৪) শৰণমালিকা (সংস্কৃত)
(৫) সাত্বত তন্ত্র (অসমীয়া)
(৬) প্রসঙ্গ-মালা (অসমীয়া)
(৭) কথা-ভাগৱত (অসমীয়া গদ্য)
(৮) ভক্তি-ৰত্নাৱলী (অসমীয়া গদ্য)
(৯) কথা-গীতা (অসমীয়া গদ্য)
(১০) নন্দোৎসৱ (অসমীয়া পদ্য)
(১১) বিষ্ণু সহস্র-নাম (অসমীয়া পদ্য)

কথা-ভাগৱতখনি পুথিৰ আকাৰে প্ৰথমে ব্যাসকুছি সত্ৰত দেখিবলৈ পাওঁ। ব্যাসকুছিৰ গোঁসাইসকলো ভট্টদেৱৰে বংশধৰ। পাটবাউসী ভট্টদেৱৰ আদি স্থান আৰু ধৰ্ম্ম প্ৰচাৰৰ কেন্দ্ৰ। বৰ্ত্তমান পাটবাউসীৰ গোঁসাইসকলো ভট্টদেৱৰ সতি-সন্ততি। ব্যাসকুছিত ভট্টদেৱে নৰলীলা সম্বৰণ কৰে আৰু তেখেতক দাহ কৰা ঠাইখনি আজিলৈকে তাত দেখিবলৈ পোৱা যায়। পাটবাউসী এখন ডাঙৰ সত্ৰ। সত্ৰ-সমাজৰ ভিতৰত পাটবাউসীৰ ঠাই অতি ওখ। বৰ্ত্তমান কালৰ গ্ৰাসত পৰি এই অসমৰ এখনি পৱিত্ৰ ঠাই যদিও ক্ষীণ হৈছে তথাপিও ইয়াৰ আকাশত আৰু বতাহত সেই মধ্য যুগৰ পৱিত্ৰ ভাবৰ প্ৰতিধ্বনি হব লাগিছে। এই সত্ৰৰ বৰ্ত্তমান অধিকাৰ হৈছে শ্ৰীশ্ৰীযুত ৰামদেৱ গোস্বামী। তেখেত ভাগৱতানুৰাগী। পবিত্ৰ বংশত জন্মগ্ৰহণ কৰি সেই পৱিত্ৰ তেজ শৰীৰত ধাৰণ কৰি তেখেতে ভাগৱতত ডুব দিছে। পূৰ্ব্বৰ ধৰ্ম্ম সংস্থাপক ভট্টদেৱৰ শক্তিৰে অনুপ্ৰাণিত হৈ বহুত পৰিযত্ন কৰি এই “কথা-ভাগৱত”খনি তেখেতে প্ৰচাৰ কৰিবলৈ আগবাঢ়িছে। তেখেতৰ সম্বল ভগৱান শ্ৰীকৃষ্ণৰ কৃপা আৰু ভট্টদেৱ প্ৰভুৰ আশীৰ্ব্বাদ।

কথা-ভাগৱতখনি ডাঙৰ পুথি। দ্বাদশ স্কন্ধ ভাগৱত একেলগেই ছপা কৰাই প্ৰকাশ কৰা তেখেতৰ পক্ষে টান কাম। বৰ্ত্তমান অৰ্থ-সমস্যা আৰু কাগজৰ সমস্যাত পৰি ইয়াক ৫ খণ্ডত প্ৰকাশ কৰিবলগীয়া

হৈছে। (১) প্ৰথম খণ্ডত ১মৰপৰা ৩য় স্কন্ধ, (২) দ্বিতীয় খণ্ডত ৪ৰ্থৰপৰা ৬ষ্ঠলৈকে, (৩) তৃতীয় খণ্ডত ৭মৰপৰা ৯মলৈকে; (৪) চতুৰ্থ খণ্ডত কেৱল ১০ম, (৫) পঞ্চম খণ্ডত ১১শ আৰু ১২শ—এইদৰে ভাগ কৰি কৰি প্ৰচাৰ কৰিবলগীয়া হৈছে। চাবলৈ গলে, এই কথা-ভাগৱতখনি সোণতে সুৱগাব দৰে হৈছে। এহাতে পৱিত্ৰ জ্ঞানপূৰ্ণ ভাগৱত শাস্ত্ৰ আৰু এহাতে অসমৰ প্ৰথম শীৰ্ষস্থানীয় আৰু দামোদৰদেৱৰ কৰত সমৰ্পণ কৰা গদ্য-গ্ৰন্থ। এতেকে এই কথা-ভাগৱতখনি অসমীয়া সমাজৰ আদৰৰ বস্তু। সহৃদয় পাঠকসকলে ইয়াক সমাদৰে গ্ৰহণ কৰিলে প্ৰকাশক বন্ধুবৰ শ্ৰীযুত বামদেৱ গোস্বামীৰ পৰিশ্ৰম সফল আৰু অসমীয়া জাতিৰ গৌৰৱ বৃদ্ধি হব।

'ওঁ নমো ভগৱতে বাসুদেৱায়'। "তৎ কুৰুষ্ব মদৰ্পণম্" এই আদেশ অনুসৰি এই গ্ৰন্থ দৈৱকীনন্দন শ্ৰীকৃষ্ণৰ পদকমলত অৰ্পিত হওক।

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

কমল-কুটীৰ"
গুৱাহাটী
৯ আঘোণ, ১৮৬৮।

# নিবেদন

"কথা-ভাগৱত" অসমীয়া সাহিত্য-ভঁৰালৰ এখনি অমূল্য ৰত্ন। ই অকল অসমৰ নহয়, সমস্ত ভাৰতৰ আদি গদ্য-সাহিত্য। ভাৰতৰ উজ্জ্বল ৰত্ন আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়ে কৈছে ঃ—

"Assamese prose literature developed to a stage in the far distant sixteenth century, which no other literature of the world reached except the writings of Hoaker and Latimer in England. It shows clearly, the Assamese Literature developed to a standard in the sixteenth century which the Bengali Literature reached only in the time of Iswor Chandra and Bankim Chandra. In fact, if some Assamese scholars now get up and say that it is the Bengalee who has borrowed his prose from Assamese Literature and enriched his own, it will be very difficult to dislodge him."

স্যাৰ আশুতোষ মুখাৰ্জ্জীয়ে কৈছে ঃ—

"The people who could write Geeta in such prose in the sixteenth century was not a small people."

আৰু ৰবি ঠাকুৰে ৺ভট্টদেৱৰ কথা-গীতা চাই ৺হেমচন্দ্ৰ গোস্বামীলৈ লেখিছিল যে ঃ—

"You may very well be proud of the author of this book who could handle prose in such a remarkable and lucid style more than a century before we had any prose book in Bengalee".

৺ভট্টদেৱৰ কথা-ভাগৱত ছপাই প্ৰকাশ কৰা ছাত্ৰ জীৱনৰ এটি কল্পনা মাত্ৰ। এই ভাবৰ প্ৰথম পথপ্ৰদৰ্শক ধৰ্ম্মপ্ৰাণ স্বৰ্গীয় উত্তম

চন্দ্ৰ বৰুৱা ( কামৰূপৰ বিখ্যাত কমাৰকুছীয়া বৰুৱা )। সেই সময়ৰ মাহেকীয়া "আসাম বান্ধব" পত্ৰিকাত বৰুৱা ডাঙৰীয়াই ধাৰাবাহিকভাবে প্ৰথম স্কন্ধৰ কিছুমান অধ্যায় প্ৰবন্ধ আকাৰে ছপাইছিল। তেখেত জীয়াই থকা হলে কিজানি এই গ্ৰন্থ তেখেতেই ছপালে হয়। কিন্তু কালে তেখেতক অকালতে সামৰিলে। তেখেতৰ পৰলোকৰ পিছত পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱেও ছপাবলৈ যত্ন কৰিছিল ; কিন্তু উক্ত গোস্বামীদেৱেও অকালতে নবনাট সামৰিলে।

ছাত্ৰ জীৱন এৰি সংসাৰী জীৱনত প্ৰবিষ্ট হৈ গ্ৰন্থখনি হাতত লোৱা হল। স্বৰ্গীয় পিতৃ-মাতৃয়ে ইয়াক সদায় শুনিছিল। এনেকি মাতৃদেৱাক মৃত্যুৰ ৩ ঘণ্টা আগতো, প্ৰেছত দিবলৈ যুগুত কৰি ৰখা স্কন্ধ দুটা পঢ়ি শুনাইছিলোঁ। ১৮৫৯ শকত পৰীক্ষামূলকভাবে ৭ম স্কন্ধটো মাত্ৰ ছপোৱা হৈছিল। কিন্তু সেই শকৰপৰা উপৰ্য্যুপৰি কেবাটাও শোকৰ ধুমুহাই আৰু নিজৰ ৰোগে শৰীৰ জৰ্জ্জৰিত কৰি থৈ দিলে। আৰ্থিক, মানসিক আৰু শাৰীৰিক কষ্টৰ উপৰিও কাগজৰ অভাবত কাম বন্ধ হৈ থাকিল।

গত ১৩৫২ সনত প্ৰজা-প্ৰতিপালক বিজনী ৰাজ্যাধিপতি শ্ৰীল শ্ৰীশ্ৰীযুক্ত ভৈৰবেন্দ্ৰ নাৰায়ণ ভূপ বাহাদুৰে গ্ৰন্থ ছপাবৰ বাবে ৮০০৲ টকা সহায় দিয়ে। তদানীন্তন দেৱান ৰায় বাহাদুৰ শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা বি, এল, আৰু সহকাৰী দেৱান শ্ৰীযুত যতীন্দ্ৰ নাথ নিয়োগী এম, এ, ই যথেষ্ট যত্ন কৰি ৰজা বাহাদুৰৰ দৃষ্টি আকৰ্ষণ কৰাইছিল। ৰজা বাহাদুৰৰ সহায় পাই কোনোমতে প্ৰথম খণ্ডটো ৰাইজৰ আগলৈ উলিওৱা হল। উপযুক্ত কাগজৰ অভাব নহলে যিমান সোনকালে পৰা যায় বাকী খণ্ডবিলাকো উলিয়াবলৈ যত্নৰ ক্ৰটী কৰা নহব।

প্ৰথম স্কন্ধৰ কেবাটাও অধ্যায় স্বৰ্গীয় উত্তমচন্দ্ৰ বৰুৱাৰ প্ৰকাশিত 'আসাম বান্ধৱ'ৰপৰা বিশুদ্ধভাবে পোৱা হৈছে। বাকীবিলাক আমাৰ নিজা আৰু গোবিন্দপুৰ সত্ৰৰ পুথি ৰিজাই পাৰ্য্যমানে শুদ্ধ পাঠ উদ্ধাৰ কৰা হৈছে। তথাপি তাত দুটা চাৰিটা ভুল নাই হোৱা, তাক কব নোৱাৰি। পাঠকসকলে নিজ গুণে সামৰি লব। বন্ধুবৰ শ্ৰীযুত

সোণাপতি দেৱ শৰ্ম্মাই প্ৰুফ চোৱা কাৰ্য্যত আমাক যথেষ্ট সহায় কৰিছে।

ৰায় বাহাদুৰ শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা বি, এল, দেৱে তেখেতৰ বহু-মূলীয়া সময় খৰচ কৰি ইয়াৰ পাতনিখনি লিখি দিয়াৰ বাবে তেখেতৰ শলাগ লৈ ঈশ্বৰৰ ওচৰত তেখেতৰ ভগবদ্ভক্তি আৰু দীৰ্ঘ জীৱন কামনা কৰিলো।

পৰিশেষত প্ৰাৰ্থনা এই যে, এই কামৰ প্ৰথম উপদেষ্টা স্বৰ্গীয় উত্তমচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ স্বৰ্গীয় আত্মাক ভাগৱতৰ প্ৰতি বাক্যে যেন শান্তি দিয়ে। আৰু ধৰ্ম্ম-প্ৰতিপালক ৰজা বাহাদুৰ, তদীয় দেৱানদ্বয়, আৰু বন্ধুবৰ শ্ৰীযুত সোণাপতি দেৱ শৰ্ম্মাৰ ওচৰত নিঃকিন সম্পাদক চিৰকৃতজ্ঞ। ভগৱন্তে সকলোকে শান্তি দিয়ক। ইতি—

ওঁ ত্বমেৱ মাতা চ পিতা ত্বমেৱ।
ত্বমেৱ সখা চ বন্ধুস্ত্বমেৱ॥
ত্বমেৱ ৱিদ্যা দ্ৰৱিণং ত্বমেৱ।
ত্বমেৱ সৰ্ব্বং মম দেৱদেৱ॥
ওঁ শ্ৰীশ্ৰীকৃষ্ণাৰ্পণমস্তু।

বিনীত—

**শ্ৰীৰামদেৱ গোস্বামী**

পাটবাউসী সত্ৰ

৯৮।৫৩

# সূচী

## প্ৰথম স্কন্ধ


| আধ্যা | বিষয় | পৃষ্ঠা |
|---|---|---|
| ১ম— | সূতৰ প্ৰতি শৌনকাদিৰ প্ৰশ্ন ... | ১ |
| ২য়— | সূতৰ উত্তৰ ... ... | ৪ |
| ৩য়— | অৱতাৰ কথনৰ দ্বাৰা ভগৱানৰ চৰিত্ৰ বৰ্ণনা ... | ৫ |
| ৪ৰ্থ— | ব্যাসৰ অপৰিতোষ ... ... | ৮ |
| ৫ম— | হৰি কীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব ... ... | ৯ |
| ৬ষ্ঠ— | নাৰদৰ পূৰ্ব্ব-জন্ম বৃত্তান্ত ... ... | ১২ |
| ৭ম— | সুপ্ত বালক বধী দ্ৰৌণিৰ দণ্ড ... | ১৪ |
| ৮ম— | পৰীক্ষিত ৰক্ষা ... ... | ১৭ |
| ৯ম— | ভীষ্ম স্তুতি ... ... | ১৮ |
| ১০ম— | কৃষ্ণৰ প্ৰতি পুৰস্ত্ৰীসবৰ বাক্য ... | ২১ |
| ১১শ— | কৃষ্ণৰ পুৰ প্ৰবেশ ... ... | ২২ |
| ১২শ— | পৰীক্ষিতৰ জন্ম ... ... | ২৪ |
| ১৩শ— | ধৃতৰাষ্ট্ৰৰ নিৰ্গম ... ... | ২৬ |
| ১৪শ— | যুধিষ্ঠিৰৰ চিন্তা ... ... | ২৮ |
| ১৫শ— | পাণ্ডৱ প্ৰয়াণ ... ... | ৩০ |
| ১৬শ— | ধৰ্ম্ম-পৃথিবী সংবাদ ... ... | ৩২ |
| ১৭শ— | কলি নিগ্ৰহ ... ... | ৩৪ |
| ১৮শ— | পৰীক্ষিতৰ ব্ৰহ্মশাপ ... ... | ৩৬ |
| ১৯শ— | পৰীক্ষিতৰ বৈৰাগ্য ... ... | ৩৯ |

ওঁ নমো ভগৱতে ৱাসুদেৱায়।

# শ্ৰীশ্ৰীমদ্ভাগৱতকথা

## প্ৰথম স্কন্ধ

—:×:—

### প্ৰথমোঽধ্যায়ঃ

**শ্লোক ঃ—** যো লোকমোক্ষায় যশোৱিতত্যৈ
চকাৰ লীলাং ব্ৰজৱাসিভৃত্যৈ।
তং গোপৱেশং প্ৰণমামি কৃষ্ণং
তৎকীৰ্ত্তিগীতোদ্ধতগোপযুষ্টম্॥
শ্ৰীকৃষ্ণপাদযুগলাব্জসুলুব্ধভৃঙ্গাঃ
গায়ন্তি যজ্জনমনোহৰশাস্ত্ৰমুচ্চৈঃ॥
তৎসম্প্ৰদায়কথয়া কথয়ামি গাথাং
সদ্ভক্তবৃন্দৰতয়ে মতয়ে জনানাম্॥

### সূতৰ প্ৰতি শৌনকাদিৰ প্ৰশ্ন

**কথা ঃ**—জয় জয় শ্ৰীকৃষ্ণ বিষ্ণু দেৱকী নন্দন পৰমানন্দ গোবিন্দ যো জগত ঈশ্বৰ পুৰুষোত্তম সকল লোকক কৃপায়ে অৱতৰি বহু বিধ লীলা কয়ল ; সেই গোপবেশ নন্দনন্দন চৰণে সহস্ৰ কোটিবাৰ প্ৰণাম কৰো। যাৰ নাম পাপ হৰ পৰম মঙ্গল মুক্তিদায়ক ; তাহানে চৰিত্ৰ শ্ৰীভাগৱত শাস্ত্ৰ ; দ্বাদশ স্কন্ধ তিনি শত পঞ্চত্ৰিংশ অধ্যায় তাহাৰ কথা বন্ধে কিছো নিবন্ধিতে চাঞোঁ॥ মঞি অল্পমতি তথাপি শ্ৰীদামোদৰৰ আজ্ঞায়ে সন্তসবৰ অনুমোদনে টীকা ভাষ্য অনুসৰি সংক্ষেপ প্ৰকাৰে নিবন্ধো॥

প্ৰথমে প্ৰথম স্কন্ধ কহো ; বিশ্ব সৃষ্টি আদি নব লক্ষণে লক্ষিত জগতৰ পৰম আশ্ৰয় শ্ৰীকৃষ্ণক নমো ॥ বেদব্যাস ঋষি প্ৰথমে নানা শাস্ত্ৰ কৰিলা ; তথাপি মন প্ৰসন্ন নভৈল ; পৰম খেদত শ্ৰীনাৰদ উপদেশে শ্ৰীভাগৱত কৰিতে শাস্ত্ৰৰ প্ৰতিপাদ্য পৰমেশ্বৰক চিন্তন্ত ; যাহাতে মিছা প্ৰপঞ্চ প্ৰকাশে, যাতে হন্তে জগতৰ সৃষ্টি স্থিতি সংহাৰ হয় ; প্ৰকৃতি পুৰুষত পৰ ব্ৰহ্মাৰো জ্ঞান দাতা সত্য সৰ্ব্বজ্ঞ তাহাঙ্ক চিন্তঞো। সকল শাস্ত্ৰত কৰি শ্ৰীভাগৱত শ্ৰেষ্ঠ ; যাক শ্ৰীনাৰায়ণে কহিছা ; যাত কহে পৰম ধৰ্ম্ম কেবল হৰি ভজন ; মোক্ষতো কৰি শ্ৰেষ্ঠ ; যাত ব্ৰহ্মজ্ঞান অযত্নে হয় ; পৰম সুখ দেই তিনি তাপ হৰে। আন শাস্ত্ৰে তাৰ উক্ত সাধনেয়ো ঈশ্বৰক সত্যে হৃদয়ত স্থিৰ কৰিতে নাপাৰে ; ইয়াৰ শুশ্ৰূষুসকলে তৎক্ষণে হৰিক হৃদয়ত ৰাখে। বুলিবা সবে কেনে নুশুনয় যাতো পুণ্য বিনে শ্ৰবণত ইচ্ছা কৰিতে নাপাৰে। বেদ কল্পলতাৰ ফল ভাগৱত শাস্ত্ৰ কেৱল অমৃত ৰস বৈকুণ্ঠে আছিল ; নাৰদে আনি ব্যাসক দিল ; ব্যাসো শুকক পঢ়াইলা ; শুক মুখে পৃথিবীত ব্যক্ত হৈলা ঃ আক জানি হে ৰসিকসব সদায়ে পান কৰা ; যাতো মুক্তো আদৰে। হেন জানি সামাজিকসব শ্ৰীভাগৱত সাবধান মনে নিত্য শ্ৰবণ কীৰ্ত্তন কৰা ; প্ৰথমে ডাকি হৰি বোল হৰি ॥

নৈমিষাৰণ্যত শৌনকাদি মুনিগণে বিষ্ণু প্ৰাপ্তিৰ অৰ্থে সহস্ৰ বৎসৰ যজ্ঞ কৰন্ত ; এক দিন প্ৰভাতে সৰ্ব্ব কৰ্ম্ম কৰি পুৰাণ বক্তা সূতক আদৰি প্ৰশ্ন কৰন্ত। হে সূত, তুমি পুৰাণ ভাৰত ধৰ্ম্ম শাস্ত্ৰচয় পঢ়ি ব্যাখ্যা কৰিছা ; আৰো ব্যাস আদি মুনিসবে যি যি জানন্ত তাকে জানা ; যাতো প্ৰিয় শিষ্যত গুৰুসবে গুহ্যকো কহে। সেই সেই শাস্ত্ৰৰ পুৰুষৰ একান্তিক শ্ৰেয়স তুমি নিশ্চয় কৰি কহা। বুলিবা আনো বিচাৰি জানোক তাক নপাৰে।

যাতো কলিযুগে লোক অল্পমতি, অল্পআয়ু, অল্পভাগ্য ; আৰো নানা তাপে তাপিত ; এতেকে বহুশাস্ত্ৰ বিভাগি শুনিতে লোকে তাক নপাৰে ; আক জানি তুমি সৰ্ব্বশাস্ত্ৰ সাৰ উদ্ধাৰি লোকৰ কুশলৰ অৰ্থে কহা। যাহাত লোকৰ মন প্ৰসন্ন হৈবেক। আৰো প্ৰশ্ন কৰো ; ভগৱন্ত দেৱকীৰ গৰ্ভে কি নিমিত্তে উপজিলা তাক শ্ৰদ্ধায়ে শুনিতে চাঞোঁ। যাৰ নামে সংসাৰ হৰে ; যাৰ ভক্তক দৰ্শনে লোক পবিত্ৰ হয় ; যাৰ যশে কলিমল বিনাশে ; এতেকে তাহান কথা কোনে নুশুনিব। আৰে সৃষ্ট্যাদি লীলা কহা। যাক নাৰদাদিয়ো গাৱে। আনে হৰিৰ অৱতাৰ কথা কহা ; যাক শুনিতে তৃপিতি পাই। যাতো ক্ষণে ক্ষণে স্বাদোত কৰি স্বাদ। আৰো শ্ৰীকৃষ্ণৰ চৰিত্ৰ কহা ; বলভদ্ৰ সহিতে যে যে কৰ্ম্ম কৰিছা। আৰো প্ৰশ্ন কৰো ধৰ্ম্মৰ ৰক্ষক কৃষ্ণ বৈকুণ্ঠক গৈলে ধৰ্ম্ম কাহাত শৰণ পশিল। এহি ছয় প্ৰশ্ন আমাত বুঝাই কহা ; হেন বুলিবা তোৰা যজ্ঞাদিত আকুল। কেমনে এতেক কথা শুনিবা ; আমি কলি কাল দেখি তাক ভয়ে তৰিবাক লাগি দীৰ্ঘ সত্ৰ পাতি আছো ; এতেকে শুনিতে অৱজৰ পাঞো॥

শ্ৰীদামোদৰপাদপদ্মমধুব্ৰতকবিৰত্নকৃতায়াং শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে প্ৰথমোঽধ্যায়ঃ ॥

হে কৃষ্ণ কৃপাময় মহেশ্বৰ ; যাক জানিবাক লাগি ঋষিসবে ছয় প্ৰশ্ন কৰিলা ঃ হেন ভগৱন্তৰ কথা আৰম্ভি তাক প্ৰণাম কৰো। আক জানি সামাজিকসব ডাকি হৰি বোল হৰি ॥

**শ্লোক ঃ—** প্ৰথমে প্ৰথমাধ্যায়ে ষট্ প্ৰশ্না ঋষিভিঃ কৃতাঃ।
তৎকথাকথনং কৃত্বা শ্ৰীকৃষ্ণং প্ৰণতোঽস্ম্যহম্ ॥

# দ্বিতীয়োঽধ্যায়ঃ ॥

## সূতৰ উত্তৰ

কথা ঃ—এহি ছয় প্ৰশ্ন শুনি সূত আনন্দিত হৈলা। চাৰি প্ৰশ্নৰ উত্তৰ কহিতে লাগিলা ; প্ৰথমে গুৰু দেৱতাক নমি সংসাৰ জয় গ্ৰন্থ আৰম্ভিলা। সেই পুৰুষ পৰম ধৰ্ম্ম ; যাত হন্তে হৰি ভক্তি হয়। যি ভক্তিত মন প্ৰসন্ন হয়। বুলিবা ধৰ্ম্মে জ্ঞান সাধে কেনে ভক্তি হৈব ; ভাল বুলিলা, সিও জ্ঞান ভক্তি কৰিলেসে হয় ; ভক্তি বিনে সকল জ্ঞান কেবলে শ্ৰম। ধৰ্ম্মৰ ফল মোক্ষ মাত্ৰ অৰ্থ কাম নোহে। এতেকে জীবনৰ ফল তত্ত্ব জিজ্ঞাসা ; যাক বেদান্তিকে ব্ৰহ্ম বোলে ; যোগী পৰমাত্মা বোলে ; ভক্ত-সকলে ভগবন্ত বোলে ; সেই তত্ত্বক ভক্তিসি পাই। এতেকে একাগ্ৰমনে কৃষ্ণক শ্ৰবণ কীৰ্ত্তন স্মৰণ কৰা। যাৰ ধ্যানখড়্গে কৰ্ম্ম-গ্ৰন্থি ছেদে তাহান কথাক কোনে ৰতি নকৰিবেক। ভাল কহিলা, তথাপি কথাত ৰতি নহে আবে কি কৰিবো। ইহাৰ উত্তৰ শুনা। প্ৰথমে গুৰুক আশ্ৰয় কৰি সেবা কৰা ; পাচে হৰি কথা শ্ৰবণ ইচ্ছা হৈবেক ; তেবেসে কথাত ৰতি হৈবেক। কথা শ্ৰবণ কৰিলে হৰি হৃদিগত হুয়া সকল কাম বাসনা নাশ হৈলে হৰিত নিচল ভক্তি হৈব। তেবে কাম ক্ৰোধ এৰি মন প্ৰসন্ন হয়। প্ৰসন্ন মনত ভগৱন্তক দেখে। তেবে অহঙ্কাৰ গুচে ; অহম্ভাবনা নাশ হয় ; পাছে জীব মুক্ত হয়। এতেকে বিবেকীসকলে পৰম আনন্দে ভগৱন্ত বাসুদেৱত নিতান্তে ভক্তি কৰন্ত। ৰাজসিক তামসিক ব্ৰহ্মা মহেশক নভজন্ত। যাতো সত্ত্ব মূৰ্ত্তি বাসুদেৱসে মোক্ষ ; আনত নহে। পূৰ্ব্বত মুনিসবে বাসুদেৱক মাত্ৰ ভজিছন্ত ; তাৰাক যি অনুবৰ্ত্তে তাৰ কুশল হয়। এতেকে মুমুক্ষুসবে ঘোৰৰূপ দেৱতাক এৰি হৰিৰ শান্ত মূৰ্ত্তি

অৱতাৰক মাত্ৰ ভজন্ত ; আনো দেৱতাকো নিন্দা নকৰন্ত, ৰাজসিক তামসিক জনেসে ধন সম্পত্তি পুত্ৰৰ অৰ্থে নানা দেৱতাক ভজে ; মোক্ষদাতা পদে বাসুদেৱ ভজনি কহিলো। আৰো বেদাদি শাস্ত্ৰগণে বাসুদেৱক মাত্ৰ কহে। এতেকে বাসুদেৱ মাত্ৰ ভজনি আন নহে ॥ সৃষ্টি আদি প্ৰশ্নৰ উত্তৰ কহন্ত ; বাসুদেৱ আপুনাৰ কায়ায়ে সকল জগত স্ৰজিছা ; তাত প্ৰবেশ হুয়া নানাৰূপে প্ৰকাশ কৰা। যেন একে অগ্নি নানা কাষ্ঠত নানাৰূপে প্ৰকাশ কৰন্ত ; নানা দেহতো জীৱক নানা ভোগ কৰান্ত, কৃষ্ণে নানা অৱতাৰ ধৰি নানা ক্ৰীড়া কৰি লোক পালন্ত ; আতে দুই প্ৰশ্নৰ উত্তৰ বুঝিবা।

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে দ্বিতীয়োঽধ্যায়ঃ।

হে কৃষ্ণ নন্দনন্দন পৰমানন্দ দ্বিতীয় অধ্যায়ত চাৰি প্ৰশ্ন সিদ্ধান্তে যাক কহিল হেন ঈশ্বৰত মঞি শৰণ পশিলোঁ। হেন জানি সামাজিকসব নিৰন্তৰে হৰি বোল হৰি ॥

**শ্লোকঃ**—চতুঃপ্ৰশ্নাৰ্থসিদ্ধান্তদ্বিতীয়াধ্যায়ৱৰ্ণনৈঃ।
শ্ৰীকৃষ্ণং শৰণং যামি নন্দনন্দনমচ্যুতম্ ॥

# তৃতীয়োঽধ্যায়ঃ ॥

## অৱতাৰ কথনৰ দ্বাৰা ভগৱানৰ চৰিত্ৰ বৰ্ণনা

**কথা** ঃ—তৃতীয় অধ্যায়ে সূতে বাইশ অৱতাৰ কহন্ত। ভগৱন্ত প্ৰথমে পুৰুষ অৱতাৰ হৈল। যি পুৰুষত তিনিলোক প্ৰকাশে বুলিবা কোন ভগৱন্ত তাক কহো ; যাকো জলশায়ী নাৰায়ণ বুলি। যাৰ নাভিপদ্মত ব্ৰহ্মা উপজিলা তেওঁ সৰ্ব্ব অৱতাৰৰ কাৰণ। সেই নাৰায়ণে প্ৰথমে কুমাৰ অৱতাৰ হৈয়া অখণ্ড ব্ৰহ্মচৰ্য্য কৰিলা। দ্বিতীয়ে বৰাহৰূপে পৃথিবী উদ্ধাৰিলা ;

তৃতীয়ে নাৰদৰূপে সাত্বত তন্ত্ৰ কৰিলা। চতুৰ্থে নৰনাৰায়ণ* ৰূপী হুয়া দুশ্চৰ তপ আচৰিলা ঃ পঞ্চমে কপিল অৱতাৰে সাংখ্য কহিলা ঃ ষষ্ঠ অৱতাৰে দত্তাত্ৰেয় হুয়া প্ৰহ্লাদ আদিক আত্মজ্ঞান দিলা ঃ সপ্তমে যজ্ঞ অৱতাৰে আপুনি ইন্দ্ৰ হুয়া স্বায়ম্ভুৱ মন্বন্তৰ পালিলা। অষ্টমে ঋষভ অৱতাৰ হুয়া ধীৰৰ পন্থক দেখাইলা, নৱমত পৃথু অৱতাৰ হুয়া পৃথিৱী দহিলা। দশমত মৎস্য অৱতাৰ হুয়া প্ৰলয় জলত সত্যব্ৰতক তাৰিলা। একাদশে কূৰ্ম্ম অৱতাৰে মন্দৰ ধৰিলা। দ্বাদশত ধন্বন্তৰী অৱতাৰে অমৃত ঘট আনিলা ; ত্ৰয়োদশে মোহিনীৰূপে দৈত্যক মোহি দেৱক অমৃত পান কৰাইলা। চতুৰ্দ্দশে নৰসিংহ অৱতাৰে হিৰণ্যকশিপুক বধিলা। পঞ্চদশে বামন অৱতাৰে তিনিপদ ছলে বলিৰ ত্ৰৈলোক্য হৰিলা। ষোড়শ অৱতাৰে পৰ্শুৰাম হুয়া পৃথিৱী নিক্ষেত্ৰী কৰিলা। সপ্তদশে ব্যাস অৱতাৰে বেদ তৰুক শাখা বিভাগ কৰিলা। অষ্টাদশে শ্ৰীৰাম অৱতাৰে সেতু বন্ধনাদি কৰ্ম্ম কৰিলা। উনৈশ অৱতাৰে বলভদ্ৰ ৰূপে প্ৰলম্বাদি বধিলা। বিংশে শ্ৰীকৃষ্ণ অৱতাৰে ভূভাৰ হৰিলা। পাচে কলিযুগে বুদ্ধ অৱতাৰে পাষণ্ড বাদে অসুৰ মুহিবা। কলিৰ অন্তত কল্কি অৱতাৰে পাষণ্ড দণ্ডিবা। এহুমতে হৰিৰ অনেক অৱতাৰ বুঝিবা। ঋষি, মনু, মনুপুত্ৰ, দেৱ, প্ৰজাপতি সবাকো হৰিৰ বিভূতি জানিবা। আত বিশেষ কহো। অৱতাৰৰ সব নাৰায়ণৰ কতো অংশ কতো কলা ; কৃষ্ণ পুনু পৰিপূৰ্ণ ভগৱন্ত আপুনি নাৰায়ণে হৈয়াছা। এহি অৱতাৰ কথা প্ৰভাতে সায়াহ্নে যি ভক্তিপূৰ্ব্বক কীৰ্ত্তন কৰে সি জ্ঞান পায়া অনায়াসে দুস্থ সংসাৰ তৰে। এহিমতে অজনৰ জন্ম অকৰ্ত্তাৰ কৰ্ম্ম আদি নাৰদাদিয়ো গাৱে। বুলিবা ঈশ্বৰৰ নানা কৰ্ম্মত কি প্ৰয়োজন। আৰ উত্তৰ শুনা ; নিপুণবুদ্ধিয়ো

* বদৰিকাশ্ৰমৰ দুজনা তপস্বী।

অনেক শাস্ত্ৰ জানি ঈশ্বৰৰ লীলা নজানে। ভকতে কদাচিত জানে যদি শুদ্ধভাবে তান কথা শ্ৰৱণ কীৰ্ত্তন কৰে। এতেকে তোৰা কৃতাৰ্থ হৈলা ; যাতো ভকতি পন্থতো প্ৰবৰ্ত্তিলে পুনু সংহাৰ নহে। সৌনকাদি পুছন্ত হে সূত কি অপূৰ্ব্ব কহিলা। সূতে বোলন্ত ; ই ভাগৱত শাস্ত্ৰ হৰিনাম প্ৰধান ; চাৰি বেদ তুল্য কৃষ্ণচৰিত লোকৰ কুশলৰ অৰ্থে ব্যাস ঋষি কহিলা ; যাক কামনা কৰি শ্ৰৱণ কৰিলে ধনধান্য হয় ; পুত্ৰপৌত্ৰ বাঢ়ে, সকল আপদ গুচে, নিষ্কাম জনৰ মহাফল ভক্তি হয় আৰো অযত্নে মুক্ত হয়। সৰ্ব্বশাস্ত্ৰ সাৰ ভাগৱত কৰিয়া ব্যাসে পৰম গুৰু শুকক পঢ়াইলা। শুকে পৰীক্ষিতক শুনাইলা। ৬ মৰণ সময়ে বৈৰাগ্য মনে ঋষিগণ সমে গঙ্গাতীৰত থাকন্তে কৃষ্ণ বৈকুণ্ঠক গৈলে ধৰ্ম্মজ্ঞান বৈৰাগ্য লগতে গৈল। ধৰ্ম্মাদি প্ৰকাশ বিনে কলিৰ লোক সব অন্ধ ভৈল। আবে পুৰাণৰ সূৰ্য্য শ্ৰীভাগৱত উদয় ভৈলা। যাৰ প্ৰকাশে সকল সংসাৰ তৰে সেই ভাগৱত শুক মুনি কন্তে মঞি শুনিলো তান প্ৰসাদে ভাগৱত জানিলো। তাক সংক্ষেপে কহিছা, বিস্তাৰ কৰি কহিবো যদি সাদৰে শুনা॥

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে তৃতীয়োঽধ্যায়ঃ॥

হে ভগৱন্ত দামোদৰ তোমাক প্ৰণাম কৰো—যেমনে সাধু সঙ্গত তোমাৰ কথা কহিবে পাৰো তেমনে কৃপা কৰা। সামাজিক সব ডাকি হৰি বোল হৰি॥

**শ্লোক ঃ**—দ্বাত্ৰিংশত্যৱতাৰোক্ত্যা তৃতীয়াধ্যায়ৱৰ্ণনৈঃ।
শ্ৰীমদ্ভাগৱতব্যাখ্যাং কৰ্ত্তুং যাচে সতাং কুলে॥

# চতুৰ্থোঽধ্যায়ঃ ॥

## ব্যাসৰ অশান্তি

**কথা ঃ**—চতুৰ্থ অধ্যায়ে ব্যাসৰ অপৰিতোষ কহিবা ॥ মুনিগণ মুখ্য সৌনকে পুছন্ত, হে সূত তুমি মহা ভাগ্যৱন্ত আমাত ভাগৱত কথা কহা, শুক মুনি যাক কহিছা। কোন যুগত কোন স্থানত কিবা কাৰণে কোনেবা পুছিছে ব্যাসে ভাগৱত কহিলা। তাকো কহা। আৰো বুলিছা শুকে ভাগৱত কহিলা ; তাহান কথা কহন কেমনে ঘটে ; যাতো মহাযোগী সমদৰ্শী মূঢ় হেন ফুৰন্ত ; যাক দেখি স্ত্ৰীগণো বস্ত্ৰ নসম্বৰে। এমন জনক লোকে কেমনে মহামুনি বুলি জানিলেক। তান্ত পৰীক্ষিতেয়ো কেমন কথা পুছিলা ; শুকেয়ো কেমনে কহিলা ; যাতো গোদোহনৰ কাল মাত্ৰ গৃহস্থৰ থাকন্ত। হেন মুনি কমনে বহুদিন ৰহি ভাগৱত কহিলন্ত। পৰীক্ষিতৰো চৰিত্ৰ পৰম পবিত্ৰ তাকো কহা। কেনে চক্ৰবৰ্ত্তী ৰাজসম্পদ এৰি তৰুণ কালতে মৰিবাক লাগি গঙ্গাতীৰে গৈলা। যাতো বিষ্ণু ভক্তসব লোকৰ কুশলৰ অৰ্থে প্ৰাণ ধৰে। এতেকে লোকৰ উপকাৰী শৰীৰ কেমনে তেজিলা ; একথা আমাত বুঝাই কহা। যাতে তুমি সকল শাস্ত্ৰ জানা। সূতে কহন্ত ; দ্বাপৰ যুগৰ অন্তত পৰাশৰ হন্তে সত্যবতী কন্যাত হৰিৰ কলা পৰম জ্ঞানী ব্যাস অৱতাৰ হৈলা। সেই ব্যাস ঋষি একদিনা সৰস্বতী জলত স্নান কৰি বদৰিকাশ্ৰমত বসি মনত গুণন্ত ; কলিযুগত ধৰ্ম্ম ছন্ন হৈবেক লোকৰ বলশক্তি টুটিবেক ; দুৰ্ব্বুদ্ধি অশ্ৰদ্ধা ভাগ্যহীন হৈবেক। আক দিব্য চক্ষুয়ে আপুনি দেখি লোকৰ কুশলৰ অৰ্থে একে বেদক চাৰি ভাগ কৰিলা ; ঋক, যজুস, সাম, অথৰ্ব্ব। পৈলক ঋগ্বেদ ; জৈমিনিক সামবেদ ; বৈশম্পায়নক যজুৰ্ব্বেদ ; সুমন্তুক অথৰ্ব্ব বেদ পঢ়াইলা ; ভাৰত

পুৰাণ কৰি মোৰ পিতৃ ৰোমহৰ্ষণক পঢ়াইলা। এমনে কায়বাক্যমনে লোকৰ হিত চিন্তিতেয়ো আপুনাৰ মন প্ৰসন্ন নভৈল; পাচে আপুনি গুণন্ত, মই ব্ৰহ্মচৰ্য্য ব্ৰত আচৰিলো বেদ পঢ়িলো গুৰু অগ্নিকো শুশ্ৰূষা কৰিলো ; ভাৰত পুৰাণ কৰি নানাবিধ ধৰ্ম্ম প্ৰপঞ্চিলো, তথাপি মন কেনে প্ৰসন্ন নহে। কিবা ভাগৱত ধৰ্ম্ম প্ৰধান কৰি নকহিলো। যি ধৰ্ম্মে বিষ্ণুবৈষ্ণৱৰ প্ৰীতি কৰে। এহ্নমতে আপুনাৰ প্ৰতি খেদ কৰিতে হৰিগুণ গাই বীণা বজাই শ্ৰীনাৰদ আসিলা। নাৰদক দেখি ব্যাসে তেখনে উঠি নমস্কাৰ কৰি পূজা কৰিলা ॥

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে চতুৰ্থোঽধ্যায়ঃ ॥

হে সভাসদসব, দেখ ব্যাস ঋষি বেদ-পুৰাণ বিভাগিয়ো হৰি কথা বিনে চিত্তৰ শান্তি নপাইলা। আকি জানি হৰি কথাত চিত্ত দিয়া সদায়ে নিৰন্তৰে ডাকি হৰি বোল হৰি ॥

**শ্লোক** :—ব্যাসস্তাপৰিতোষেণ চতুৰ্থাধ্যায়ৱৰ্ণনৈঃ।
হৰিকীৰ্ত্তিং ৱিনা চিত্তশান্তিৰ্নাস্তীতি দৰ্শিতম্ ॥

## পঞ্চমোঽধ্যায়ঃ ॥

### হৰিকীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব

**কথা** :—পঞ্চম অধ্যায়ে সকল ধৰ্ম্মত কৰি হৰিকীৰ্ত্তন শ্ৰেষ্ঠ কহিবা ॥ শ্ৰীনাৰদ মহাসুখে বসি ব্যাসক বোলন্ত। হে পৰাশৰ পুত্ৰ মহাভাগ্যৱন্ত তোমাৰ মন প্ৰসন্ন হয় নয় যাতো তুমি সৰ্ব্বধৰ্ম্ম কহিছা ; ব্ৰহ্মাকো বিচাৰ কৰিছা ; সমাধিতো ব্ৰহ্মা ব্যক্ত হোৱন্ত ; তথাপি আপুনাক প্ৰতি কেনে খেদ কৰা। ব্যাস বোলন্ত তুমি যে বুলিলা সবে মোত আছে ; তথাপি মন প্ৰসন্ন নোহে ; ইহাৰ কাৰণ নজানঞো। এতেকে তুমাত পুছো।

তুমি ব্ৰহ্মাৰ পুত্ৰ পৰম বৈষ্ণৱ, সমদৰ্শী তিনিয়ো লোকৰ মনক জানা। মই মন সন্তোষৰ কাৰণ যি কাৰ্য্য নকৰিছো তাক কহা। নাৰদে বোলন্ত তুমি ভগৱন্তৰ নিৰ্ম্মল যশস্যা বাহুল্য কৰি নকহিলা। ভগৱন্তৰ যশ বিনে যি ধৰ্ম্মাদি কহিলা মন সন্তোষ নহে তাক ব্যৰ্থ বুলি। বুলিবা ভগৱন্তৰ যশ সেই সেই শাস্ত্ৰে ঠাই ঠাই কহিছো ; তাত শুনা। যেমন ধৰ্ম্ম অৰ্থ কাম মোক্ষ তাৰ সাধনকো কহিছা ; তেমনে হৰিগুণ নকহিলা। জগত পাবন হৰিগুণ বিনে বিচিত্ৰ বাক্য কাক তুল্য কামুক জনৰেসে প্ৰিয়। জ্ঞানীগণৰ প্ৰিয় নহে। যেন ৰাজহংসসব মানস সৰোবৰত চৰে ; পদ্ম সমূহত নিবাস কৰে। বিচিত্ৰ অনুযুক্ত কাকৰ ক্ৰাড়া স্থান উৎশিষ্ট গৰ্ত্তত নৰমে। সামান্য বচনো হৰিগুণ যুক্ত হৈলে পৰম পৱিত্ৰ হয়। সৰ্ব্বলোকৰ সৰ্ব্বপাপ হৰে। যাক মহন্তসবে বক্তা পাইলে শুনে, শ্ৰোতা পাইলে কহে, কতো বেলা আপুনি গ্ৰহণ কৰে। হৰিভক্তি বিনে নিৰঞ্জন জ্ঞানো কেবলে শ্ৰম। ঈশ্বৰত নৰ্পিলে কৰ্ম্ম কৈত শোভা কৰে। য়াতো হৰিভক্তি বিনে জ্ঞান কৰ্ম্ম বাক্যে চাতুৰি কেবলে ব্যৰ্থ। এতেকে সকল লোকত মোক্ষৰ কাৰণে হৰিচৰিত্ৰ বৰ্ণাবা। হৰিগুণ নকহিলে কদাচিতো মন থিৰ নুহিবেক। আৰো তুমি বৰ অন্যায় কৰিলা ; যাতো সকাম কৰ্ম্ম কহিলা ; যি কৰ্ম্মে লোক সংসাৰী হয়। ইদানীকো কাম্য কৰ্ম্ম এৰি হৰি লীলা কহা। সৰ্ব্ব কৰ্ম্ম এৰি ঈশ্বৰ অনুভৱত হৰিগুণত যি সুখ আছে তাক বিচক্ষণসবে জানে, আনে নজানে। এতেকে সংসাৰী জীবৰ অৰ্থে হৰিগুণ কহা। স্বধৰ্ম্মকো এৰি হৰিক ভজিলে কৃতাৰ্থ হয়। অল্পভক্তিৰো বাসনা ৰহে, এতেকে যি নিপুণ হয় সি হৰি ভজিতে যত্ন কৰোক। সুখৰ অৰ্থে যত্ন নকৰোক যেমনে দুস্খ নুখুজিলেও পাই তেমনে সুখো মিলিবেক। এতেকে

মহা গুণৱন্ত তুমি জগতৰ মুক্তিৰ অৰ্থে ভগৱন্তৰ লীলা কহা। বুলিবা কোন ভগৱন্ত কিবা তাৰ লীলা তাক কহো শুনা। সৃষ্টি স্থিতি লয় তাহান লীলা আক আপুনিও জানা। তথাপি সংক্ষেপে কহিলো যাতো গুৰুৰ উপদেশ পাইলেসে ভগৱন্তক জানে। বিশেষত তুমি হৰিৰ কলা অৱতাৰ। এতেকে সকল লোকৰ কুশলৰ অৰ্থে হৰিৰ লীলা প্ৰধান মাত্ৰ কহা। তেবেসে তোমাৰ তপাদি সফল হয়। সন্ত সঙ্গ লৈলেসে হৰি কথা শ্ৰৱণ কীৰ্ত্তন সফল হয়। আত মোৰ বৃত্তান্ত শুনা। পূৰ্ব্ব কল্পত সি জন্মত মই ব্ৰাহ্মণৰ দাসীৰ পুত্ৰ আছিলো। তাঠৰ গৃহত বাৰিষা বঞ্চিতে চাৰি মহন্ত ৰহিলা। তাবাৰ শুশ্ৰূষা কৰিতে ব্ৰাহ্মণে মোক নিযোজিলা। মঞি কায়বাক্যমনে তাবাক শুশ্ৰূষা কৰিলো। তাবায়ো কৃপায়ে অৱশেষ অন্ন দিলা। তাক খায়া নিষ্পাপ হৈলো। পাচে চিত্তশুদ্ধ হৈলে হৰি ভজিবাক ৰুচি হৈল। পৰম শ্ৰদ্ধায়ে তাবাৰ মুখে মনোহৰ কৃষ্ণ কথা শুনিলো। পাচে মোৰ হৰিত অখণ্ডিত মতি হৈল যি মতিয়ে দেহাত্মা বিবেক জ্ঞান হৈল। পাচে সাধুসব চলিবাৰ সময়ে মোত কৃপায়ে পৰম গুহ্য ঈশ্বৰ জ্ঞান উপদেশ দিলন্ত। যি জ্ঞানে ভগৱন্তৰ ময়ো বৈভৱক জানিলো। যাক জানি তাহাৰ স্বৰূপ পাই। জ্ঞানৰ সাধন ঈশ্বৰাৰ্পিত কৰ্ম্মকো কহিলন্ত। এহিমতে উপদেশ পালো। হৰি ভক্তি কৰিতে মোক ঈশ্বৰে জ্ঞান ঐশ্বৰ্য্য ভক্তি দিলন্ত। তুমিও হৰি গুণ বৰ্ণৱা তেবে মন সন্তোষ হইবেক। যাতো সংসাৰ দুখে পীড়িত জনৰ আন মতে দুখ শান্তি নাই।

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে পঞ্চমোঽধ্যায়ঃ ॥

হে সামাজিকসব, নাৰদী ভক্তিৰ ক্ৰম শুনা। প্ৰথমে মহন্তৰ সেৱা পাচত কৃপা, পাচে হৰি ভজন ধৰ্ম্মত শ্ৰদ্ধা, পাচে হৰিকথা

শ্ৰৱণ, পাচে ভগৱন্তত ৰতি, পাচে দেহাত্ম বিবেক; পাচে দৃঢ়া ভক্তি; পাচে ঈশ্বৰ তত্ত্বজ্ঞান; পাচে হৰিৰ কৃপায়ে সৰ্ব্বজ্ঞাদি গুণ হয়। আক জানি প্ৰথমে মহন্তৰ সেৱা কৰা। ইদানীক ডাকি হৰি বোল হৰি॥

**শ্লোকঃ—** কথিতং পঞ্চমাধ্যায়ে হৰিকীৰ্ত্তনমুত্তমম্।
তদহং সততং কৰ্ত্তুং যাচে শ্ৰীকৃষ্ণমিষ্টদম্॥

## ষষ্ঠোঽধ্যায়ঃ॥

### নাৰদৰ পূৰ্ব্বজন্ম বৃত্তান্ত

**কথাঃ**—ষষ্ঠ অধ্যায়ে নাৰদে আপুনাৰ পূৰ্ব্ব জন্মৰ ভাগ্য কহিবা॥ ব্যাসে পুছন্ত; হে নাৰদ; জ্ঞানদাতা সবে গৈলে তুমি পাচে কি কৰ্ম্ম কৰিলাঃ কেমনে বৰ্ত্তিলা; কেমনে সি দেহ এৰিলা। পূৰ্ব্ব কল্পৰ ইকথাক কেমন কালে নাশ নকৰিল, আক মোক বুঝাই কহা। নাৰদে কহন্ত; সাধুসব এৰি গৈলে পাঞ্চ বৎসৰৰ অবোধ বালক মই। মাতৃৰ স্নেহত থাকি তৈতে কতো কাল বঞ্চিলো। একদিনা ৰাত্ৰি গাই দুহিবাক যাইতে মাতৃক সৰ্পে দংশিলে মৰিলন্ত। মঞি হৰিৰ অনুগ্ৰহ মানি উত্তৰ দিশক গৈলো। নানা দেশ, নগৰ, পৰ্ব্বত, নদী, নদ এৰাই ঘোৰ অৰণ্যত পশিলো। পাচে মহা শ্ৰান্তে ক্ষুধায়ে তৃষায়ে আকুল হৈয়া নদীত স্নান পান কৰি কিছো সুস্থ হৈলো। সেই নিৰঞ্জন স্থানত অশ্বত্থ মূলত বসি হৰিক চিন্তিলো। ভক্তিযুক্ত চিত্তে হৰিক চিন্তিতে প্ৰেম পুলক নেত্ৰ সলোতক হৈলো। তেখনে হৰি হৃদয়ত দেখা দিল। মঞো হৰিক দেখি আনন্দ সাগৰে মগ্ন হৈলো। অনন্তৰে নেদেখি মহা আকুল হৈলো। পুনৰপি

পৰম যত্নে মন থিৰ কৰিয়ো নেদেখি অতি আকুল হৈলো। পাচে ভগৱন্তে গম্ভীৰ বচনে মোক পৰম কৃপায়ে বুলিলা। হে বালক! আউৰ ইজন্মত মোক দেখিতে নপাস। যাতো কুযোগীজনৰ মই দুৰ্দ্দৰ্শ। মোত প্ৰীতিৰ অৰ্থে একবাৰ দেখা দিলো। যাতো মোত প্ৰীতি হৈলে পুৰুষে সকলো কামনা এৰে। অল্পকালে সাধুসেবায়ে মোত দৃঢ়মতি হৈব। এতেকে ইদেহ এৰি মোৰ পাৰিষদ হুইবি। ইদানিক নাম লৈয়া ফুৰ। লোক সৃষ্টি প্ৰলয়তো মোত তোৰ মতি নুগুচিব। এহি বাক্য শুনি মই ঈশ্বৰক নমস্কাৰ কৰিলো। তান কৃপায় পাচে লজ্জা এৰি নাম কীৰ্ত্তন কৰিলো লীলাকো স্মৰিলো ঃ মদ মৎসৰ এৰি পৃথিবী ফুৰিলো। পাচে কালবেগে ভৌতিক দেহ এৰিলো। শুদ্ধ পাৰিষদ তনু পাইলো। সেই সময়ত প্ৰলয় ভৈল। ঈশ্বৰ ইচ্ছায়ে মঞো ব্ৰহ্মাৰ উদৰে পশিলো। সহস্ৰ যুগৰ অন্তত ব্ৰহ্মা উঠি জগত স্ৰজন্তে মঞো ব্ৰহ্মাৰ কোলাত ব্যক্ত হৈলো। হৰিৰ কৃপায়ে অবাধিত গতি পায়া তিনিলোক পৰ্য্যটো। ঈশ্বৰে এই বীণা দিলা ঃ তাত হৰিগুণ গাই লোকৰ কুশলৰ অৰ্থে ফুৰো। গুণ গাইতে হৃদয়ত দেখা পাঞু। বিষয়ী লোকৰ সংসাৰ সাগৰ তৰণ উপায় কেবলে হৰিকীৰ্ত্তন। হৰিনাম-কীৰ্ত্তনে যেমনে চিত্ত শুদ্ধ হয় অষ্টাঙ্গ যোগেও তেমনে শুদ্ধ নহে। এতেকে তুমি হৰিগুণ বৰ্ণৱা। মোৰ জন্ম কৰ্ম্ম পৰম ৰহস্য। তোমাৰ মন সন্তোষৰ নিমিত্তে কহিলো। এহি বুলি নাৰদ হৰিগুণ গাই বীণা বজাই চলি গৈলা॥ সূতে বোলন্ত ঃ অহো দেব ঋষি নাৰদ ধন্য ; যাতো হৰিগুণ গাই আপুনি আনন্দিত হোৱন্ত আনকো আনন্দ কৰাৱন্ত॥

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে ষষ্ঠোঽধ্যায়ঃ॥

হে লোকসব দেখ ঃ ষষ্ঠ অধ্যায়ত কহিলা সন্তৰ সঙ্গে

ভগৱন্তক পাই। আক জানি সাধুসঙ্গ লৈয়া নিৰন্তৰে হৰি বোল হৰি।

শ্লোক ঃ—দেৱৰ্ষের্জন্মকৰ্ম্মোক্ত্যা ষষ্ঠাধ্যায়ে নিৰূপিতম্।
ৱিষ্ণুভক্তপ্ৰসঙ্গেন তৎপদপ্ৰাপ্তিকাৰণম্॥

## সপ্তমোঽধ্যায়ঃ॥

### সুপ্ত বালকবধী দ্ৰৌণিৰ দণ্ড

**কথা** ঃ—সপ্তম অধ্যায়ে সুপ্ত বালকবধী দ্ৰৌণিৰ দণ্ড কহিবা॥ সৌনকে পুছন্ত ঃ হে সূত; নাৰদৰ অভিমত ব্যাসে জানি পাচে কি কৰ্ম্ম কৰিলা। সূতে কহন্ত; সৰস্বতী তীৰত বদৰিকাশ্ৰমত ব্যাস ঋষি একাগ্ৰ মনে কৃষ্ণক চিন্তিতে নিৰ্ম্মল মনত পৰিপূৰ্ণ ঈশ্বৰক দেখিলা। তান অধীন মায়াকো দেখিলা। যি মায়ায়ে মোহিত হৈয়া জীৱে সংসাৰক পাৱে। সংসাৰ নাশিনী ভক্তিকো দেখিলা। আকে আপুনি জানি অজ্ঞানী লোকৰ অৰ্থে ভাগৱত শাস্ত্ৰ কৰিলা। যাৰ শ্ৰবণ ইচ্ছাতে কৃষ্ণত ভক্তি হয়। শুনিলে হৈবেক তাক কি বুলিবো। যি ভক্তি শোক মোহ ভয় বিনাশে। পাচে শাস্ত্ৰ শুদ্ধ কৰি নিবৃত্তিৰত শুকক পঢ়াইলা। সৌনকে পুছন্ত; হে সূত, শুক মুনি পৰম বিৰক্ত আত্মাৰাম হৈয়া কেনে ভাগৱত পঢ়িলা। সূতে কহন্ত; আত্মাৰাম মুনিসবো হৰিভক্তি কৰন্ত। যাতো হৰিৰ গুণে মুক্তৰো মন আকৰ্ষে। এতেকে শুকে সাধুসঙ্গ অৰ্থে মহাভাগৱত পঢ়িলা। আৱে পৰীক্ষিত ৰাজাৰ জন্ম কৰ্ম্ম মুক্তি পাণ্ডৱসবৰো নিৰ্য্যাণ কহো। কৌৰৱ পাণ্ডৱ যুদ্ধত অঠৰ অক্ষৌহিণী সেনা মৰিল। বীৰসবো সমুখ যুদ্ধত পৰি গতি পাইলা। যেৱে ভীমৰ গদা প্ৰহাৰে দুৰ্য্যোধন ৰাজাৰ উৰুভঙ্গ হৈল তেৱে দ্ৰৌণি তাৰ

প্ৰিয় কৰিতে দ্ৰৌপদীৰ পাঞ্চপুত্ৰ নিদ্ৰাতে কাটি আনিলা। তাক দেখি দুৰ্য্যোধনে বংশছেদ খেদে মৰিলা। পুত্ৰনাশ দেখি দ্ৰৌপদীয়ে বিলাপ কৰিলা। অৰ্জ্জুনে তাঙ্ক সান্ত্বনা কৰি কৃষ্ণক সাৰথি লৈয়া কবচ পিন্ধি গাণ্ডীৱ ধনু ধৰি ৰথত চড়ি দ্ৰৌণিক খেদি গৈলা। দ্ৰৌণিয়ো অৰ্জ্জুনক দেখি মহাভয়ে ৰথত চড়ি পলাইলা। ঘোড়া শ্ৰান্ত হৈতে পলাইতে নপাৰি ব্ৰহ্মাস্ত্ৰ মাৰিলা। ব্ৰহ্মাস্ত্ৰ তেজ দেখি অৰ্জ্জুনে কৃষ্ণক বোলন্ত। হে কৃষ্ণ তুমি মহাবাহু, ভবভয়হাৰী, পুৰুষৰ পুৰুষাৰ্থ দাতা পৰমেশ্বৰ, ই অৱতাৰ ভূভাৰ হৰিতে একান্ত ভক্তৰ শ্ৰৱণৰ অৰ্থে হৈয়াছা। ই দাৰুণ তেজ কৈৰপৰা আসে আক কহা। ভগৱন্তে বোলন্ত ; হে সখি ই দ্ৰৌণিৰ ব্ৰহ্মাস্ত্ৰ ; আক আন অস্ত্ৰে কিছো কৰিতে নপাৰে। এতেকে ব্ৰহ্মাস্ত্ৰক ব্ৰহ্মাস্ত্ৰে সংহাৰা॥ সূতে বোলন্ত ; অৰ্জ্জুনে এহি বাক্য শুনি প্ৰদক্ষিণে কৃষ্ণক নমি ব্ৰহ্মাস্ত্ৰ সংহৰিতে ব্ৰহ্মাস্ত্ৰ মাৰিলা। দুই অস্ত্ৰ এক স্থান হুয়া জগত দহিবাৰ দেখি সকল লোকে প্ৰলয় হৈল বুলি মানিলা। অৰ্জ্জুনে লোকৰ দুস্খ দেখি কৃষ্ণৰ মত বুঝি দুয়ো অস্ত্ৰ সংহাৰিলা। পাচে দ্ৰৌণিক বান্ধিয়া ৰথত তুলিয়া ৰাজাৰ আগক আনিতে কৃষ্ণে ক্ৰোধ কৰি বোলন্ত ; হে পাৰ্থ ই দুষ্ট ব্ৰাহ্মণক ৰাখিতে নলাগে। যিটো বিনা অপৰাধে ৰাত্ৰি সুপ্ত ছৱালক কাটিছে। যাতো ধৰ্ম্মজ্ঞসবে শত্ৰুৰো ছৱাল সুপ্তকো নবধে। পৰক মাৰি যিতো আপুনি বৰ্ত্তে তাৰ মৰণেসে ভাল। আৰো তুমি আমাৰ আগতে দ্ৰৌপদীক শুনাই অঙ্গীকাৰ কৰিছা ; তোমাৰ পুত্ৰবধী ব্ৰাহ্মণৰ শিৰ দিবো বুলি। এতেকে পাপী ব্ৰাহ্মণক সত্বৰে কাটা॥ সূতে বোলন্ত ; এমনে ধৰ্ম্ম পৰীক্ষা কৰি কৃষ্ণে বুলিলেয়ো অৰ্জ্জুনে গুৰুপুত্ৰ বধিতে ইচ্ছা নহৈল॥ পাচে ৰাজগৃহ পায়া দ্ৰৌপদীৰ আগত ব্ৰাহ্মণক

থৈলা। দ্ৰৌপদী গুৰুপুত্ৰক দেখি নমিল। অৰ্জ্জুনক বোলন্ত সত্বৰে বন্ধন মেলা ঃ ব্ৰাহ্মণ সুতসে আমাৰ গুৰু। বিশেষত ধনুৰ্ব্বেদ পঢ়িছা ; সেই দ্ৰোণ পুত্ৰৰূপে আছা। তান অৰ্দ্ধ শৰীৰ ভাৰ্য্যায়ো আছন্ত। আক জানি গুৰুপুত্ৰক দুস্খ নেদা। ইহান বধে পতিব্ৰতা গৌতমীয়ো বিলাপ কৰিবন্ত ; তান কোপে সবংশে নষ্ট হুইবা। এতেকে সত্বৰে মেলা॥ সূতে বোলন্ত ঃ দ্ৰৌপদীৰ বাক্যক যুধিষ্ঠিৰ অৰ্জ্জুন নকুল সহদেব কৃষ্ণো প্ৰশংসিলা। তাত ক্ৰোধ কৰি ভীমে বোলন্ত ঃ ই দুষ্ট ব্ৰাহ্মণৰ বধেসে ভাল। যাতো অকাৰণে সুপ্ত বালক বধিলে। এহি বুলি ভীমে বধিতে উদ্যত হৈল। দ্ৰৌপদী ৰাখিতে লাগিলা। দুইকো নিবাৰি ভগৱন্ত চতুৰ্ভুজ হৈয়া সখিৰ মুখ চাই বোলন্ত ; হে সখি মঞি বেদ মুখে দুয়ো কথা কহিছো। ব্ৰাহ্মণক কদাচিত নবধি ; আততায়ী ভৈলে বধি। দুয়ো বাক্য ৰাখা। তোমাৰ অঙ্গীকাৰ সফল কৰা। দ্ৰৌপদা ভীমৰো প্ৰিয় কৰা। সূতে বোলন্ত ঃ অৰ্জ্জুনে তেখনি কৃষ্ণৰ মত বুঝি চুড়ামণি সহিতে কেশ কাটি বান্ধ মেলি ঢক্কাই খেদি দিলা। পাচে পুত্ৰশোকাতুৰ পাণ্ডৱ সবো মৃতকৰ দাহাদি কৰ্ম্ম কৰিলা॥

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে সপ্তমোঽধ্যায়ঃ॥

হে সামাজিক সব দেখ ঃ শুকাদি মুনিসবো মুক্ত হুয়ো কৃষ্ণ কথাত ৰতি কৰে। এতেকে জানিবা কৃষ্ণ কথা মোক্ষতো অধিক। আক জানি সদায় কৃষ্ণ কথাত প্ৰীতি কৰি ডাকি হৰি বোল হৰি॥

**শ্লোক ঃ—** নিঃশ্ৰেয়সৰসাধিক্যং শ্ৰীমৎকৃষ্ণকথাৰসম্।
শুকাদ্যাচাৰকথয়া সপ্তমে সমুদীৰিতম্॥

# অষ্টমোঽধ্যায়ঃ ॥

## পৰীক্ষিত ৰক্ষা

**কথা ঃ**—অষ্টম অধ্যায়ে পৰীক্ষিত ৰক্ষা, কুন্তীস্তুতি, ৰাজাৰ শোক কহিবা। পাচে পাণ্ডব সবে গঙ্গাত মৃতকক জলাঞ্জলি কৰি বিলাপ কৰিলা॥ কৃষ্ণো মুনিগণ সমে তাবাৰ শোক শান্তি কৰিলা। পাচে সবাকে সম্বুধি দ্বাৰকাক যাইতে ৰথত চড়িলা। সেই সময়ত মহাভয়ে উত্তৰা কৃষ্ণক প্ৰাৰ্থন্ত ; হে কৃষ্ণ তুমি মহাযোগী জগতপতি মোক ত্ৰাণ কৰা। মই মৰো আত কিছো নাই ; কিন্তু গৰ্ভমাত্ৰ ৰক্ষা কৰা। তুমি বিনে লোকৰ আন ৰক্ষা নাই, এতেকে তোমাক প্ৰাৰ্থনা কৰো। হেৰ অগ্নিময় শৰসবে মোক খেদি আসে। তাহান কাৰ্পণ্য বাক্য শুনি বৎসল ভগৱন্তে দেখন্ত। পাঞ্চ পাণ্ডবক লাগি কোপিত দ্ৰৌণিৰ পাঞ্চ ব্ৰহ্মাস্ত্ৰ আসে। ভক্তৰ দুস্খ দেখি সুদৰ্শন চক্ৰে পাণ্ডবক ৰক্ষা কৰিলা। পাঞ্চ পুত্ৰ সহিতে কুন্তী শ্ৰীকৃষ্ণক স্তুতি বোলন্ত। হে কৃষ্ণ তোমাক প্ৰণাম কৰো। তুমি মহাপুৰুষ প্ৰকৃতিতো পৰ, পৰম ঈশ্বৰ ; সকলো লোকৰ বাহিৰে ভিতৰে আছা ; তথাপি অজ্ঞজনে তোমাক নজানে। জ্ঞানীৰো গম্য নহা, মঞি স্ত্ৰীমতি কেমনে জানিম। ভক্তিকো নজানো, কেবলে নমো। হে কৃষ্ণ বাসুদেৱ দেবকীনন্দন, নন্দগোপ কুমাৰ তোমাক বন্দো। পদ্মনাভ পদ্ম-মালী পদ্মনেত্ৰ পদ্মচৰণ তোমাক নমো। মাতৃতো কৰি তোমাৰ মোত অধিক স্নেহ আছে। যাতো নানা আপদত পুত্ৰ সমে তেখনে ৰাখিছা। এতেকে আমাৰ সদায়ে আপদ হৌক। যি আপদত তোমাক দেখিতে পাই, সম্পদত তোমাৰ নাম লৈবাক নপাৰি। অজনো জন্ম ধৰা ; অকৰ্ত্তায়ো কৰ্ম্ম কৰা ; এতেকে লোকে তোমাৰ তত্ত্বক নজানি নানামতে কহে। তুমি পুনু

কৃপায়ে যশ বিস্তাৰিতে অৱতাৰ হৈয়াছা। এতেকে যশক যি শ্রবণ কার্ত্তন স্মৰণ কৰে সি অনায়াসে সংসাৰ তৰি তোমাৰ পদ পাৱে। মোৰ যাদব পাণ্ডব বংশত স্নেহ গুচাই তোমাৰ চৰণত ৰতি দিয়া। হে ভগৱন্ত কৃষ্ণ তোমাক কোটি কোটি বাৰ প্রণাম কৰো॥ স্থতে বোলন্ত ; পাচে কৃষ্ণ হাস্য কৰি কুন্তীক মোহিলা। পুনু হস্তিনাপুৰক যায়া সবাকো সম্বুধি চলিবাক চাইতে যুধিষ্ঠিৰে প্রীতি কৰি ৰাখিলে॥ ভীষ্ম নির্যাণ উৎসৱ প্রসঙ্গ কহো। যুধিষ্ঠিৰ ৰাজা বন্ধু বধ দুখে আকুল হৈলা। ব্যাসাদি মুনিগণে প্রবোধ দিলা। কৃষ্ণো বুঝাইলা ; তথাপি শোক দূৰ নহৈল। মহাশোকে আকুল হৈয়া মনত গুণন্ত ; মিছা দেহত অর্থে অঠৰ অক্ষৌহিণী সেনা বধিলো। আনো জ্ঞাতিসব বধিছো ; এতেকে মোৰ নৰক কোটি বৎসৰতো নিস্তাৰ নাই॥

শ্রীভাগৱতকথায়াং প্রথমস্কন্ধে অষ্টমোঽধ্যায়ঃ॥

হে সভাসদসব দেখ ঃ মহাভয়ত পুনু কৃষ্ণ বিনে আন ত্রাতা নাই। আক জানি সদায়ে কৃষ্ণক স্মৰি হৰি বোল হৰি॥

**শ্লোক ঃ—** উক্তঃ পৰীক্ষিতো মাত্রা ভ্রাতা কৃষ্ণো ন চাপৰঃ।
অতঃ কুন্তীস্তুতৌ ব্যক্তং সদা তৎস্মৰণং নৃণাম্॥

## নৱমোঽধ্যায়ঃ॥

### ভীষ্ম স্তুতি

**কথা ঃ—**নৱম অধ্যায়ে ভীষ্ম স্তুতি কহিবা। এমনে যুধিষ্ঠিৰ ৰাজা বন্ধু বধ ভয়ে ভীত হুয়া ভাতৃগণ সমে কুৰুক্ষেত্র গৈলা। যাতো পিতামহ ভীষ্ম পৰি আছা। ভগৱন্ত কৃষ্ণ অর্জ্জুন সহিতে একে ৰথে গৈলা। ভীষ্মক দেখি সবে পাণ্ডব কৃষ্ণ সহিতে নামিলা। সেইবেলা ব্রহ্মঋষি ৰাজঋষি দেৱঋষি

ভীষ্মক নমিতে আসিলন্ত। তাৰাৰ নাম শুনা ঃ পৰ্ব্বত, নাৰদ, ব্যাস, বৌধায়ন, ধৌম্য, বৃহদশ্ব, ভৰদ্বাজ, পশু´ৰাম, বশিষ্ঠ, ইন্দ্ৰপ্ৰমদ, ত্ৰিত, গৃৎসমদ, অসিত, কুক্ষিমন্ত, গৌতম, অত্ৰি, কৌশিক, সুদৰ্শন, শুক, কাশ্যপ, বৃহস্পাতি ; ইসব প্ৰমুখে আন নানা মুনিসব শিষ্য সমে আসিলা। তাৰাসবক ভীষ্মে বচনে সৎকাৰ কৰিলা ; কৃষ্ণকো মনে পূজা কৰিলা। পাচে পাণ্ডৱসবক দেখি। সলোতক নয়নে বোলন্ত। অহো কষ্ট ; কি অন্যায় যাতো তোৰা ধৰ্ম্মিষ্ঠ ; ব্ৰহ্মণ্য বৈষ্ণৱ হুয়ো দুস্খ পাইলা। পাণ্ডু মৰিলে তোৰাৰ নিমিত্তে কুন্তীয়ো মহা দুস্খ পাইলা। তোৰা সবৰ দুস্খ কালেসে কৰিল। যি কালৰ সকল লোক অধীন। অহো দুৰ্ঘটঘটন কাল। যাতো ধৰ্ম্মপুত্ৰ যুধিষ্ঠিৰ, গদাধৰ বৃকোদৰ ; অস্ত্ৰত নিপুণ অৰ্জ্জুন ; কৃষ্ণ ইষ্ট সুহৃদ। তাতো আপদ বুলিবা কৃষ্ণে সুহৃদ হৈলে কেনে আপদ হয় ; ইয়াত শুনা। কৃষ্ণৰ অভিপ্ৰায় কেহো নজানে ; যাক জিজ্ঞাসিতে ব্ৰহ্মাদিয়ো মোহ হয়। এতেকে ঈশ্বৰাধীন জগত জানি আপুনিয়ো তান অধীন হুয়া অনাথ প্ৰজাক পালা। এঞো কৃষ্ণ ভগৱন্ত নাৰায়ণই জগত কাৰণ ঃ আহান মহিমাক শিৱ নাৰদ কপিলে নজানন্ত ; যাক নজানি মমাৰ পুত্ৰ বোলা ; প্ৰিয় মিত্ৰ সুহৃদ মানিছা ; পাত্ৰ মন্ত্ৰী দূত সাৰথিয়ো কৰা। যদ্যপি সৰ্ব্বাত্মা কৃষ্ণ সবাতে সম তথাপি একান্ত ভক্তক দায়া কৰন্ত। দেখ মোৰ মৰণ সময়ত আপুনি আসিছা। যাৰ নাম মুখে লৈয়া মনে ৰূপ ধৰি যোগীসবো দেহ এৰি মুক্ত হয় ; সেই দেৱদেৱ ভগৱন্ত ; যাবে দেহ এৰঞু তাবে অপেক্ষা কৰিবা। সূতে বোলন্ত ; হেন শুনি যুধিষ্ঠিৰে নানা ধৰ্ম্ম পুছিলা। ভীষ্মো কহিলা সৰ্ব্ব ধৰ্ম্ম শ্ৰেষ্ঠ হৰিনামো কহিলা। পাচে মৰণ সময় দেখি মৌন হৈলা। কৃষ্ণ মূৰ্ত্তিত মন দিলা। তেখনে

সকলে অশুভ নষ্ট হৈল। সৰ্ব্ব ইন্দ্ৰিয় নিশ্চল কৰি দেহ এৰিতে ভীষ্মে কৃষ্ণক স্তুতি বোলন্ত। হে কৃষ্ণ তুমি ভগৱন্ত; তোমাত নিষ্কাম ৰতি অৰ্পিলো। ত্ৰিভুবন সুন্দৰ শ্যাম কলেবৰ পীতাম্বৰ বীৰ। বনমালী চাৰু চতুৰ্ভুজ; অলকা আবৃত মুখ কমল বিজয় শশী তোমাত মোৰ ৰতি ৰহোক। অৰ্জ্জুনৰ সাৰথ্য কৰ্ম্ম কৰি শত্ৰুৰ আয়ু হৰি, আত্ম জ্ঞান দিয়া কুমতি হৰিয়া হিত কৰি আছা। মোৰ অঙ্গীকাৰ ৰাখি অনুগ্ৰহ কৰিছা। মায়া শৰ মাৰি আছা; বীৰসব যুদ্ধত মৰিতে তোমাক দেখি সাৰূপ্য পায়া আছা। তুমি জগতৰ পূজ্য; যাতো ৰাজসূয় যজ্ঞত অগ্ৰ পূজা পায়া আছা। হেনয় শ্ৰীকৃষ্ণত মোৰ সদায়ে ৰতি ৰহোক। সবাৰে অন্তৰ্য্যামী এক অজ তোমাক আজি সাক্ষাতে পায়া কৃতাৰ্থ হৈলো॥ এহি স্তুতি কৰি ভীষ্মে কৃষ্ণক চিন্তি প্ৰাণ এৰিলা। কৃষ্ণক পৰশি পৰিষদ হৈয়া বৈকুণ্ঠক গৈলা। তাক দেখি দেৱ মনুষ্যে দুন্দুভি বাদ্য কৰিলা সাধুসবে প্ৰশংসিলা; আকাশৰ পৰা পুষ্প বৃষ্টি হৈলা। যুধিষ্ঠিৰে দাহাদি কৰ্ম্ম কৰিলা। মুনিগণো জয় কৃষ্ণ বুলি কৃষ্ণক মনত ধৰি আশ্ৰম গৈলা, যুধিষ্ঠিৰো হস্তিনাপুৰক গৈয়া ধৃতৰাষ্ট্ৰ গান্ধাৰীৰ শোক দূৰ কৰিলা। পাচে শ্ৰীকৃষ্ণৰ আজ্ঞায়ে ৰাজা হৈলা॥ পৃথিবী শাসন কৰিলা; কৃষ্ণ সেবা উৎসুকে বিষয়ত নিস্পৃহ হৈয়া পুত্ৰবতে প্ৰজা পালিলা॥

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে নৱমোঽধ্যায়ঃ॥

হে সাধুসব দেখ ঃ ভীষ্মে কহিলা ভজনীয় ঈশ্বৰ এক কৃষ্ণ মাত্ৰ; এতেকে তান পদাৰবিন্দত ৰতিক প্ৰাৰ্থিলা। আক জানি সতেত আচৰিয়া ডাকি হৰি বোল হৰি॥

**শ্লোক ঃ—** ভজনীয়েশ্বৰঃ কৃষ্ণঃ এৱমুক্তো যুধিষ্ঠিৰঃ।
তৎপাদাব্জৰতিং সাক্ষাৎ কৰ্ত্তুং যাচিতৱান্ স্বয়ম্॥

# দশমোঽধ্যায়ঃ ॥

## কৃষ্ণৰ প্ৰতি পুৰস্ত্ৰীসবৰ বাক্য

**কথা** ঃ—দশম অধ্যায়ে কৃষ্ণ চলিতে পুৰস্ত্ৰীসবৰ বাক্য কহিবা। সৌনকে পুছন্ত ; যুধিষ্ঠিৰে শত্ৰু বধি ৰাজ্য পায়া কি কৰ্ম্ম কৰিলা তাক কহ। সূতে বোলন্ত ; যুধিষ্ঠিৰ ৰাজা ভীষ্মৰ বাক্যে শোক মোহ এৰি সাগৰ পৰ্য্যন্তে পৃথিবী শাসন কৰিলা। কৃষ্ণ সেৱা উৎসুকে বিষয়ত নিস্পৃহ হৈয়া পুত্ৰৱতে প্ৰজা পালিলা। তাহান ৰাজ্য সৰ্ব্বসম্পন্ন হৈল। প্ৰজা সবো মহা সুখে বসিল। কৃষ্ণো সুহৃদৰ শোক দূৰ কৰি কতিপয় মাস আছিল। পাচে সবাকে প্ৰবোধি ৰথত চড়িলা। পাণ্ডবসবো কৃষ্ণ বিৰহে আকুল হৈলা। আক আশ্চৰ্য্য নেদেখিবা। সাধুসঙ্গত যাৰ কথা শুনি বিষয় সঙ্গ এৰিয়ো সাধুসঙ্গ এৰিতে নপাৰে। সেই কৃষ্ণত দৰ্শন স্পৰ্শন আলাপ শয়ন আসন ভোজনে মন নিবেশায়া আছে। কেমনে বিৰহ সহিবেক ? এতেকে অনিমিষ চক্ষুয়ে চায়া লড়িলা। স্ত্ৰীসবৰো কৃষ্ণ বিৰহে চক্ষুৰ লোতক ঝৰিল। কৃষ্ণ চলিতে অমঙ্গল মানি তাক নেত্ৰতে নিৰোধিলা। তেখনে নানাবিধ বাদ্য বজাইলা। স্ত্ৰীগণো গৃহত চড়ি পৰম প্ৰেমে পুষ্প বৃষ্টি কৰিলা ; অৰ্জ্জুনে ধবল ছত্ৰ ধৰিলা ; উদ্ধৱ সাত্যকি চামৰ ঢুলিলা ; বিপ্ৰসবে সত্য আশীষ দিলা ; পাচে পুৰস্ত্ৰীসবৰ অন্যে অন্যে আলাপ হৈলা। কতো স্ত্ৰীসবে কৃষ্ণৰ পৰম লাৱণ্য মূৰ্ত্তি দেখি বিস্ময় হৈলা। কতো স্ত্ৰীসবে তাৰাক সম্বুধি কহে। হে সখীসব ইহাত বিস্ময় নকহিবা। ওহি কৃষ্ণ সাক্ষাতে পুৰাণ পুৰুষ পৰমেশ্বৰ। যাতো সৃষ্টিৰ পূৰ্ব্বত প্ৰলয়ৰ অন্তত একলায়ে থাকন্ত, পাচে প্ৰকৃতিকো প্ৰবৰ্ত্তান্ত ; ৰেদকো কৰিবন্ত ; যাৰ চৰণক নিৰ্ম্মল বুদ্ধিয়ে যোগীগণে চিন্তে ; যাৰ চৰিত্ৰ বেদবাদীসবো গান্ত ;

অহো যদুকুল কি ভাগ্যৱন্ত ; যাতো শ্রীকৃষ্ণ জন্মিছা ; অহো মধুবন কি পুণ্যস্থান যাতো শ্রীকৃষ্ণ ভ্রমিছা , অহো দ্বাৰকা স্বৰ্গতো কৰি অধিক ঃ যাৰ লোকে কৃষ্ণক নিতে দেখে ঃ ইহান পত্নীসব পূৰ্ব্বজন্মে অনেক পুণ্য কৰি কৃষ্ণক পূজা কৰিছে। যাতো আন অধৰামৃত নিত্যে পান কৰে। গোপীসবে যাক নপায়া মোহ হৈয়াছে। আৰাসবে অশুচি অস্বতন্ত্ৰ স্ত্ৰীজাতিকো সাধু কৰিল। যাতো আৰাৰ গৃহ এৰি কৃষ্ণ কোন ঠাই নজান্ত। আৰো পাৰিজাত আদি প্ৰিয় বস্তু দিয়া আনন্দ কৰান্ত। সূতে বোলন্ত ; স্ত্ৰীসবৰ এমন বাক্য শুনি কৃষ্ণ হাস্য কটাক্ষে আনন্দ কৰাই চলিলা। পাচে যুধিষ্ঠিৰে শত্ৰুক শঙ্কায়ে চতুৰঙ্গ সেনা দিলা। পাচে কত দূৰ গৈলে কৃষ্ণে পাণ্ডৱসবক প্ৰবোধি পঠাইলা। উদ্ধবাদি সহিতে আপুনাৰ নগৰ চলিলা। পথত নানা দেশবাসী লোকে নানা দ্ৰব্য দিয়া স্তুতি নতি কৰি অৰ্চ্চা কৰিলেক। পাচে অনেক দেশ এৰাই আপুনাৰ আনৰ্ত্ত দেশ পায়া ৰহিলা।

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে দশমোঽধ্যায়ঃ ॥

**শ্লোক ঃ—** দশমে পুৰনাৰীভিৰ্বীৰিতঃ শৌৰিৰীশ্বৰঃ।
স এৱ দৰ্শিতো দ্ৰব্যৈঃ প্ৰীত্যা দেশনিৱাসিভিঃ ॥

## একাদশোঽধ্যায়ঃ ॥

### কৃষ্ণৰ পুৰ প্ৰবেশ

**কথা ঃ**—একাদশ অধ্যায়ে পুৰ প্ৰবেশ কহিবা ॥ সূতে কহন্ত ঃ শ্ৰীকৃষ্ণে আপুনাৰ আনৰ্ত্ত দেশ পায়া তাৰাৰ বিষাদ দূৰ কৰিতে পাঞ্চজন্য শঙ্খ বাইলা। শঙ্খনাদে প্ৰজাসব হৰিষিত হৈয়া আগ বাঢ়ি আসিলা। নানা উপায়ন কৃষ্ণক দিয়া গদগদ বাক্যে বুলিতে

লাগিলা। হে স্বামী শ্ৰীকৃষ্ণ ঃ তোমাৰ পাদ পদ্মক সদায়ে বন্দো। যাক ব্ৰহ্মাদিয়ো বন্দে ঃ মুমুক্ষুজনৰো পৰম আশ্ৰয় ঃ যাহাতে শৰণ পশিলে কালো কিছো কৰিতে নপাৰে। তুমি আমাৰ পিতৃ সুহৃদ গুৰু দেৱতা ঃ তোমাক সেবায়ে আমি কৃতাৰ্থ হৈলো। তুমি নাথে নাথৱন্ত হৈলো। যাতো দেৱৰ দুৰ্লভ তোমাৰ সুন্দৰ ৰূপক দেখিলো। যেখন আমাক এৰি হস্তিনাপুৰ মথুৰাপুৰক যাৱা ঃ তেখন আমাৰ ক্ষণে কোটি বৎসৰ সমান হয়। যেন বিনে চক্ষু অন্ধ ঃ তেমনে আমিও অন্ধ হঞু॥ সূতে বোলন্ত ঃ প্ৰজাসবৰ এহি বাক্য শুনি ঃ ভক্তবৎসল ভগৱন্তে কটাক্ষে আনন্দ কৰাই ঃ আপুনাৰ অলঙ্কৃত পুৰ পশিলা ঃ বসুদেৱ আদি বন্ধুসবে কৃষ্ণ আসিবাৰ শুনি আনন্দমনে পাটহস্তী আগ কৰি পঞ্চ শব্দ কৰি আগ বাঢ়ি আসিলা। নট-নটী গায়ন-বায়ন সবেও উৎসুকে আসিলা। শ্ৰীকৃষ্ণো বন্ধুজন পুৰজন সেৱকজনকো যথাযোগ্য সৎকাৰ কৰি আশ্বাস কৰি নগৰ পশিলা। গুৰু, বৃদ্ধ, ব্ৰাহ্মণসবো কৃষ্ণক আশীৰ্ব্বাদ দিলা। ৰাজপথে কৃষ্ণক চলিতে কুলস্ত্ৰীসবো দৰ্শন উৎসুকে গৃহত চড়িল। যদ্যপি কৃষ্ণক নিত্যে দেখে তথাপি দৰ্শনে নেত্ৰৰ তৃপিতি নহে॥ যাতো লক্ষ্মীৰ নিবাস বক্ষঃস্থল ঃ চক্ষুৰ পানপাত্ৰ মুখ ঃ লোকপালৰ আশ্ৰয় বাহু ঃ ভক্ত ভ্ৰমৰৰ পাদপদ্ম আশ্ৰয় ঃ উপৰত ধৱল ছত্ৰ ঃ দুই পাশে শুক্ল চামৰ ঃ পুষ্প বৃষ্টি, পীত বস্ত্ৰ, বনমালায়ে পথত কৃষ্ণক প্ৰকাশিলা। যদি মেঘৰ উপৰে সূৰ্য্য, দুই পাৰ্শ্বে চন্দ্ৰ, সৰ্ব্বতো নক্ষত্ৰ, মধ্যে দুই ইন্দ্ৰধনু, স্থিৰ বিদ্যুৎ হয়, তেবে কৃষ্ণৰ শৰীৰৰ উপমা নাই॥ পাচে কৃষ্ণে পিতৃগৃহ প্ৰবেশিলা ঃ মাতৃ সবক নমিলা ঃ তাৰাসবো হৰ্ষে বিহ্বল হৈয়া কৃষ্ণ পুত্ৰক সাবটি কোলাত বসাই নেত্ৰজলে তিয়াইলা। স্নেহত সবাৰো স্তন স্ৰবিল। পাচে আপুনাৰ ষোড়শ সহস্ৰ অষ্টোত্তৰ শত গৃহত

একেবাৰে প্ৰবেশিলা ॥ পত্নীসবো কৃষ্ণ আসিবাৰ দেখি তেখনে উঠি আগ বাঢ়ি গৈয়া প্ৰণাম কৰি কোলাত পুত্ৰ দিবাৰ চলে আলিঙ্গন কৰিলা। প্ৰেমে লোতক ঝাড়িল। যদ্যপি কৃষ্ণ তাৰাৰ সমীপে থাকা ঃ তথাপি তাৰাৰ চৰণ যুগল ক্ষণে ক্ষণে নব। চঞ্চলা লক্ষ্মীয়ো যাক এৰিতে নপাৰে ॥ সেই ভগৱন্ত উত্তম স্ত্ৰী সমূহত প্ৰকৃত যেন ৰমিলা। বুলিবা তেবে কেনে প্ৰকৃত নুবুলি। ইহাৰ উত্তৰ শুনা ॥ যাৰাসবক দেখি মহেশো মোহ হুয়াছে। তাৰাৰ হাস্য লাস্য কটাক্ষে কৃষ্ণৰ মন মোহিতে নপাৰে। তাঙ্ক অজ্ঞ জনে স্ত্ৰীসঙ্গী বুলি মানে। ঈশ্বৰৰ ঈশ্বৰতা মায়াত থাকিতেও মায়াগুণে নোচোৰে ॥

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে একাদশোহধ্যায়ঃ।

হে নৰনাৰীসব দেখ ঃ দেশবাসী পুৰবাসীসবৰো কৃষ্ণত ভক্তি। এতেকে যিমান পাৰা কৃষ্ণত প্ৰীতি কৰি নিৰন্তৰে হৰি বোল হৰি ॥

**শ্লোক ঃ—** আনৰ্ত্তৱাসিনাং স্তুত্যা ভগৱান্ ভুৱনেশ্বৰঃ।
প্ৰাৱিশদ্ভৱনং ভৃত্যা বৈভৱং সাধু দৰ্শয়ন্ ॥

# দ্বাদশোঽধ্যায়ঃ ॥

## পৰীক্ষিতৰ জন্ম

**কথা ঃ**—দ্বাদশ অধ্যায়ে পৰীক্ষিতৰ জন্ম কহিবা ॥ শৌনকে পুছন্ত ঃ হে সূত যি অশ্বত্থমাৰ ব্ৰহ্মাস্ত্ৰে উত্তৰাৰ গৰ্ভ নষ্ট হৈল তাক পুনু ঈশ্বৰে ৰাখিলা ঃ তাহান জন্ম কৰ্ম্ম মৰণ মুক্তি আমাত কহা ॥ সূতে বোলন্ত ঃ উত্তৰাৰ গৰ্ভ ব্ৰহ্মাস্ত্ৰে দহিতে শ্ৰীকৃষ্ণক দেখিলা অঙ্গুষ্ঠ প্ৰমাণ শ্যামতনু ঃ পীতবাস চতুৰ্ভুজ ঃ সুবৰ্ণময় কিৰীটী কুণ্ডল ঃ আৰকত নেত্ৰ ঃ গদা ধৰি ৰক্ষা কৰি চৌপাশে ফুৰন্ত ঃ ব্ৰহ্মাস্ত্ৰ তেজ গদায়ে বিনাশন্ত ঃ তাঙ্ক দেখি কোন বুলি

No A. 0 7.. 7- ২৫-

মনে বিতর্কিলা। কৃষ্ণো ব্ৰহ্মাস্ত্ৰ বিনাশি দশম মাসৰ শিশু চাই থাকিবাৰ দেখিতে অন্তৰ্দ্ধান হৈলা। পাচে সৰ্ব্বানুকূল লগ্ন হৈলে পাণ্ডৱৰ বংশধৰ নাতি উপজিলা। যুধিষ্ঠিৰ ৰাজা মহা আনন্দে মাঙ্গল্য কৰি ব্ৰাহ্মণ সহিতে জাতকৰ্ম্ম কৰিলা। ব্ৰাহ্মণক ভোজন কৰাইলা। ব্ৰাহ্মণসবো দক্ষিণা পায়া তুষ্ট হৈয়া ৰাজাক বোলন্ত ঃ হে মহাৰাজ যুধিষ্ঠিৰ ঃ ওহি শুদ্ধ ছৱাল গৰ্ভতে ব্ৰহ্মাস্ত্ৰ তেজে মাৰিছা ঃ কৃষ্ণো তাঠেক কৃপায়ে ৰক্ষা কৰিলা ঃ এতেকে বিষ্ণুৰাৎ নাম হৌক। আত কিছো সংশয় নকৰিবা। মহাৰাজা মহা ভাগৱত হুইবা। ইক্ষ্বাকু সম প্ৰজা পালিবা। ৰামচন্দ্ৰ সম ব্ৰহ্মণ্য সত্যবাদী হইবা। শিবি ৰাজা সম তেজস্বী হুইবা। অগ্নি সম দুৰ্দ্দৰ্শ ঃ সাগৰ সম দুস্তৰ ঃ সিংহসম বিক্ৰম হুইবা। পৃথিবী সম সহিবা। সমভাবে ব্ৰহ্মা, প্ৰসাদে ৰুদ্ৰ, আশ্ৰয়ে বিষ্ণু সম হুইবা। ৰন্তিদেব সম উদাৰ, যযাতি সম ধাৰ্ম্মিক হুইবা। ধৈৰ্য্যে ৰসি সম, প্ৰহ্লাদ সম হৰিভক্তি হুইবা। তিনি অশ্বমেধ কৰিবা, সাধুৰ সেৱক হুইবা। পুত্ৰসব উপজাইবা ঃ দুৰ্জ্জন দণ্ডিবা ঃ ধৰ্ম্ম পৃথিবীৰ অৰ্থে কলিক নিগ্ৰহিবা। পাচে বিপ্ৰ পুত্ৰৰ শাপে তক্ষকত হন্তে আপুনাৰ মৃত্যু শুনি বিষয় সঙ্গ এৰি হৰিক ভজিবা ঃ শুক মুখে জ্ঞান পায়া গঙ্গাত দেহ এৰি বৈকুণ্ঠ পাইবা। সূতে কহন্ত ঃ এহি কথা কহি ব্ৰাহ্মণসবে দক্ষিণা পায়া গৃহক গৈলা ঃ পাচে তাহান পৰীক্ষিত নাম হৈল। যাতো গৰ্ভদৃষ্ট কৃষ্ণক লোকত পৰীক্ষিল। সিটো ৰাজকুমাৰ শুক্ল পক্ষৰ চন্দ্ৰ সম বাঢ়িলা ঃ পিতামহ সবে চৌষষ্ঠি কলা শিখাইলা। পাচে যুধিষ্ঠিৰ ৰাজা বন্ধু বধ ভয়ে অশ্বমেধ কৰিতে চান্ত। ধন নাটে নিমিত্তে মনত গুণন্ত ঃ কৰ দণ্ডৰ ধনে পৰিজন পুষিবে লাগে। পাচে ৰাজাৰ চিন্তা দেখি ভগৱন্তে উপায় দিলা। সেই উপায়ে ভাতৃসবে মৰুত ৰাজাৰ যজ্ঞাবশেষ ধন আনিলন্ত। সেই ধনে সম্ভাৰ কৰি কৃষ্ণক

ম্নাতি আনি অশ্বমেধ কৰিলা। কৃষ্ণো তিনিক্ৰতুৰ যশ শতক্ৰতুৰ সম বিস্তাৰিলা। পাচে সবাকে সম্বুধি দ্বাৰকাক গৈলা ॥

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে দ্বাদশোঽধ্যায়ঃ ॥

হে লোকসব দেখ কৃষ্ণৰ ভক্তবৎসল গুণ ঃ গৰ্ভতো প্ৰবেশি ৰক্ষা কৰন্ত। এতেকে তান কৃপালু গুণ দেখি সততে ভজি নিৰন্তৰে হৰি বোল হৰি ॥

**শ্লোক ঃ—** ৱিষ্ণোঃ স্বভক্তপাতিত্বঃ পৰীক্ষিদ্ৰক্ষণাদিভিঃ।
দ্বাদশে দৰ্শিতং সাক্ষাদ্দিব্যদৃষ্ট্যা দ্বিজাতিভিঃ ॥

## ত্ৰয়োদশোঽধ্যায়ঃ ॥

### ধৃতৰাষ্ট্ৰৰ নিৰ্গম

**কথা ঃ—**ত্ৰয়োদশ অধ্যায়ে ধৃতৰাষ্ট্ৰৰ নিৰ্গম কহিবা ॥ সূতে বোলন্ত ঃ বিদুৰে তীৰ্থ যাত্ৰা কৰিতে মৈত্ৰেয়ত হন্তে ঈশ্বৰ কৃষ্ণক সাক্ষাতে জানি তাহান একান্ত ভক্ত হুয়া হস্তিনাপুৰক আসিলা। বিদুৰ আসিবাক শুনি ধৃতৰাষ্ট্ৰ যুধিষ্ঠিৰ প্ৰমুখ্যে সবে জ্ঞাতি আগ বাঢ়ি গৈয়া যথাযোগ্য সৎকাৰ কৰিলা। পাচে যুধিষ্ঠিৰে আসনে বসাই পাদ প্ৰক্ষালণ কৰি পঞ্চামৃতে ভোজন কৰাইলা। বিশ্ৰান্ত হুয়া মহা সুখে বসিলে সবাতে আগতে যুধিষ্ঠিৰে পুছন্ত ॥ হে খুড়া, তুমি আমৰাসবক সুমৰা। যাতো আমি তোমাক ছায়াত বাঢ়িছি। নানা আপদতো ৰাখিছা ঃ আৰো তুমি পৃথিবী ফুৰিতে কেমনে বৰ্ত্তিলা। কোন কোন তীৰ্থক্ষেত্ৰ ফুৰিলা। তীৰ্থক কৃপায়েসে তোৰাৰ তীৰ্থ যাত্ৰা। আপুনাৰ কাৰ্য্য নাই ঃ যাতো তোৰা মহা ভাগ্যৱন্ত ঃ হৰিক হৃদয়ে ধৰিছা ঃ এতেকে তোৰাৰ পৰশে তীৰ্থো পবিত্ৰ হয়। আমাৰ সুহৃদসব দ্বাৰকাত কুশলে আছে। আক তুমি দেখিছা বা শুনিছা ॥ সূতে বোলন্ত ঃ ৰাজা

কথা এহি পুছিলে বিদুৰে যদু কুলৰ ক্ষয় বিনে সবে কহিলা। যাতো মহন্তসবে পৰৰ দুঃখ দেখিতে নপাৰে। কতো, কতো দিন তহিতে বঞ্চিলা। তাৰায়ো দেৱক যেন সৎকাৰ কৰিলা। বড় ভাই ধৃতৰাষ্ট্ৰকো উপদেশ দিলা। যাতে যমৰাজা মাণ্ডব্য ঋষিৰ শাপে জন্মিছা। একদিনা বিদুৰে ধৃতৰাষ্ট্ৰক বোলন্ত ঃ হে মহাৰাজা সত্বৰে বঝাৰা। দেখ ভয়ে পাইলে আৰ প্ৰতিকাৰ কেহো কদাচিতো কৰিতে নপাৰে। কিন্তু সেই কালে পুনু সবাকো সংহৰে। বুলিবা ধন সৰ্ব্বস্ব কেমনে এৰি যাইবো। তাত শুনা ঃ কালে পাইলে প্ৰিয়তম দেহো পৰিবেক আউৰ ধনাদিক কে গণে॥ তোমাৰ পিতৃ ভাতৃ সুহৃদ পুত্ৰ মৰিল বয়সো গৈল বৃদ্ধ ভৈলা ঃ আৰ জীবাৰ কি ফল। যি ভীমে তোমাৰ শত পুত্ৰ মাৰিলে তাহান অন্নত কি কাৰ্য্য। আঠেক অপকাৰ কৰিছা। তাঠেৰ অন্নে কি কাৰ্য্যে আউৰ বৰ্ত্তিবে লাগে। তোমাৰ দেহ জৰা অৱস্থায়ে জীৰ্ণ হৈল। ইদানীকো গৃহ এৰি গৈয়া হৰিক চিন্তি দেহ এৰা। সূতে বোলন্ত ঃ এমনে বিদুৰৰ বচনে প্ৰবোধ শুনি ধৃতৰাষ্ট্ৰ ৰাজা স্নেহপাশ ছিন্দি তেখনে গৃহৰ বঝাই হিমবন্তক গৈলা। তাক জানি পতিব্ৰতা গান্ধাৰীয়ো লগতে গৈলা॥ পাচে যুধিষ্ঠিৰ ৰাজা প্ৰভাতে নিত্য কৰ্ম্ম কৰি এৰাক প্ৰণামিতে গৃহ প্ৰবেশিলা। নেদেখি শঙ্কিত মনে সঞ্জয়ত পুছিলা॥ সঞ্জয়ে বোলন্ত মঞি কিছো বাৰ্ত্তা নজানো ঃ যাতো বঞ্চিত হৈলো॥ আত অনন্তৰে ডম্বৰু সহিতে নাৰদ আসিলা। ৰাজা নাৰদক দেখি পূজা কৰি পুছন্ত॥ হে নাৰদ ঃ আমাৰ পিতৃমাতৃসবৰ বাৰ্ত্তা নজানো ঃ কুন ঠাই গৈল আক সৰ্ব্বজ্ঞ তুমি কহা। নাৰদে বোলন্ত ঃ হে মহাৰাজ তুমি কাহাকো লাগি শোক নকৰিবা। যাতো ঈশ্বৰাধীন সকল জগত। আৰো আতমা নিত্য দেহ নশ্বৰ ঃ ব্ৰহ্ম শুদ্ধ ঃ এতেকে অজ্ঞানকৃত

শোক এৰা। আপুনি কাল কৰ্ম্ম গুণাধীন ঃ কেমনে আনক ৰাখিবা। যাতো জাবে জীবৰ জীবিকা হৈয়া আছে। এতেকে জানিবা সৰ্ব্বৰূপে ভগৱন্ত প্ৰকাশ কৰা। সেই ভগৱন্ত দ্বাৰকাৰ কৃষ্ণ ঃ তেঞ্ু দেৱৰ সকলে কাৰ্য্য কৰিলা। কিছো মাত্ৰ অৱশেষ আছে। পাছে বৈকুণ্ঠ যাইবা ঃ তেবে তোৰায়ো চলিবা। এমনে শোক নিবাৰি ধৃতৰাষ্ট্ৰ গান্ধাৰীক হিমবন্তৰ দক্ষিণ ভাগে সপ্তস্ৰোতাক নিলা। তথায়ে অষ্টাঙ্গ যোগ আচৰি দেহ এৰি গতি পাইবা। তাঙ্ক কিছো বিঘ্ন নকৰিবা। গান্ধাৰীয়ো তাঙ্কে অনুগমন কৰি মৰিবা; বিদুৰো তীৰ্থ কৰিতে যাইবা। নাৰদে এহি কথা কহি ডম্বৰু সহিতে স্বৰ্গক গৈলা। যুধিষ্ঠিৰো নাৰদৰ বাক্যে শোক তেজিলা।

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে ত্ৰয়োদশোঽধ্যায় ঃ

আক জানি নিৰন্তৰে হৰি বোল হৰি ॥

**শ্লোকঃ—** পুত্ৰমিত্ৰগৃহাদীনাং দুঃখদত্বঞ্চ নশ্বৰম্।
ধৃতৰাষ্ট্ৰাখ্যয়াসাক্ষাদুক্তমস্মিন্ ত্ৰয়োদশে ॥

## চতুৰ্দ্দশোঽধ্যায়ঃ ॥

### যুধিষ্ঠিৰৰ চিন্তা

**কথা ঃ—**চতুৰ্দ্দশ অধ্যায়ে যুধিষ্ঠিৰৰ চিন্তাত অৰ্জ্জুন আসিবা। কদাচিত অৰ্জ্জুন দ্বাৰকাক গৈয়া সাত মাস নাসন্ত। পাছে যুধিষ্ঠিৰ ৰাজা লোকৰ স্বভাৱ দেখি ভীমক বোলন্ত। হে ভীমসেন ঃ শ্ৰীকৃষ্ণৰ অভিপ্ৰায় জানিতে অৰ্জ্জুন দ্বাৰকাক গৈল। সাত মাস ভৈল ঃ কিবা কাৰণে নাসন্ত তাক নজানো। কিবা নাৰদে কথিত কৃষ্ণ বৈকুণ্ঠক যাইবাৰ কাল ভৈল। যাতো নানা দাৰুণ বিমঙ্গল দেখো। মোৰ বাম বাহু উৰু আখি ফন্দে। হৃদয় কম্পে। এমনে

স্বৰ্গ পৃথিবীতে নানা বিমঙ্গল দেখো। এতেকে আমাৰ কিবা দুস্খ দেখাৱে আন কিছো নহে; সৰ্ব্ব পুৰুষাৰ্থ হেতু শ্ৰীকৃষ্ণ তান বিয়োগ বিনে এতেক বিমঙ্গল নঘটে॥ নিশ্চয় জানিলো শ্ৰীকৃষ্ণৰ পদ পৃথিৱী হীন হৈল॥ এমনে ৰাজা চিন্তা কৰিতে দ্বাৰকাৰ পৰা অৰ্জ্জুন আসিয়া ৰাজাৰ চৰণত পৰিলা। তাঙ্ক আতুৰ অধোমুখ কান্তি-হীন দেখি সভাৰ মাজত পুছন্ত। হে অৰ্জ্জুন ঃ দ্বাৰকা পুৰত আমাৰ বন্ধুসবো সুখে আছন্ত ঃ সুৰ মাতামহ মমা বসুদেৱ কুশলে আছন্ত। উগ্ৰসেন ৰাজা জীৱন্ত ঃ অক্ৰূৰ আদি জ্ঞাতিসব কুশলে আছা। ৰাম কাম অনিৰুদ্ধৰ কুশল। আনো কৃষ্ণ পুতসবৰ বাৰ্ত্তা ভাল। উদ্ধব আদি কৃষ্ণ ভক্ত সুখে আছা। ভক্তবৎসল ভগৱন্ত দ্বাৰকা পুৰত সুধৰ্ম্মা সভাত লোকৰ কুশলৰ অৰ্থে আছন্ত ঃ যাৰ বাহু দণ্ডক আশ্ৰয় কৰি যদুবীৰসব পৰম আনন্দে ক্ৰীড়ন্ত। যাৰ পদ সেৱা মন্ত্ৰে সত্যভামা আদি স্ত্ৰীগণো শচীৰ পৰিজাত আদি আনিয়া ভোগ কৰে। হে বাপু অৰ্জ্জুন ঃ তোৰ শৰীৰ অৰোগ ঃ কেনে কান্তি-হীন হৈলি। কিবা দুস্খ পাইলি ঃ কিবা অন্যায় কৰিলি ঃ কিবা অধমত পৰাজয় হৈলি ঃ কিবা প্ৰিয়তম কৃষ্ণ বিয়োগ হৈল। আত পৰে তোৰ বিষাদৰ কাৰণ নঘটে॥

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে চতুৰ্দ্দশোঽধ্যায়ঃ॥

সব লোক হৰি বোল হৰি।

শ্লোক ঃ— প্ৰেষ্টকৃষ্ণং ৱিনানিষ্টমিষ্টশিষ্টসুহৃজ্জনম্।
স্পষ্টং ৱিশিষ্টভূপালৱাচা চতুৰ্দ্দশে স্থিতম্॥

# পঞ্চদশোঽধ্যায়ঃ ॥

## পাণ্ডৱ প্ৰয়াণ

**কথা** ঃ—পঞ্চদশ অধ্যায়ে পাণ্ডৱ প্ৰয়াণ কহিবা॥ সূতে কহন্ত ঃ এমনে ৰাজা নানা ভাবে শঙ্কিলে ঃ কৃষ্ণক চিন্তি উত্তৰ দিবাক নপাৰিলা যাতো কৃষ্ণ বিৰহে কৃশ হৈয়াছে। মুখো শুখাই আছে॥ পাচে লোতক মলছি অদৃষ্ট কৃষ্ণৰ স্নেহে আকুল হৈয়া আহান সৌহৃদ্য সখ্য মৈত্ৰী স্মৰি গদ গদ বচনে ৰাজাক বোলন্ত। হে মহাৰাজ ঃ যাৰ ক্ষণ বিয়োগে লোকৰ মৃত্যু সমান হয় ঃ সেই বান্ধৱ কৃষ্ণে বঞ্চিত হৈলো। এতেকে মোৰ কান্তি টুটিল ঃ আবে উপকাৰ স্মৰন্ত॥ যাক আশ্ৰয় কৰি ৰাজাগণ মাজে মৎস্য কাটি দ্ৰৌপদীক পাইলো। আৰো যাৰ তেজে ভীমে জৰাসন্ধ বধি ৰাজাগণ মেলাইলো। যাৰ প্ৰসাদে লক্ষেক ৰাজায়ো কৰ দিলা। ৰাজসূয় যজ্ঞ কৰিলা। আৰো দ্ৰৌপদীৰ কেশত দুঃশাসনে ধৰিলে ঃ তেঞোঁ চৰণত পৰি কান্দিলা। এতেকে কৌৰবক মাৰি তাৰাৰ স্ত্ৰীক বিধবা কৰিলা। বনতো অৱশেষ শাক ভুঞ্জি দুৰ্ব্বাসা শাপত হন্তে ৰাখিছা। যাৰ তেজে যুদ্ধত মহেশক বিস্ময় কৰাইলা। পাশুপাত অস্ত্ৰ দিলা ঃ আনো দেৱগণে আপুনাৰ অস্ত্ৰ দিলা। এহি শৰীৰে ইন্দ্ৰৰ অৰ্দ্ধাসন পাইলো। যাৰ প্ৰভাবে মোৰ বাহুবলক নিবাতকবচ দৈত্য বধিতে ইন্দ্ৰাদিদেৱো আশ্ৰয় কৰিলে। যাক বান্ধৱ মানি উত্তৰ গোগৃহত কুৰু সৈন্য সাগৰত একে ৰথে তৰিলো। বীৰ-সবকো মোহ কৰি মুকুট পাগুৰি আনিলো। মোৰ সাৰথি হৈয়া ভীষ্ম দ্ৰোণ কৰ্ণ আদি বীৰৰ আয়ু উৎসাহ বল শক্তি চক্ষুয়ে হৰিলো। যুদ্ধত বীৰসবৰ অস্ত্ৰে মোক নুচুইলে ঃ যাতো বান্ধৱে ৰক্ষা কৰিলা। সেই ভগৱন্ত কৃষ্ণে বঞ্চিত হৈলো। আবে

আপুনাৰ অপৰাধ স্মৰন্ত ॥ যাৰ পাদপদ্মক ব্ৰহ্মাদিয়ো ভজে ॥ হেন কৃষ্ণক মঞি কুমতি সাৰথি কৰিলো। সখি বুলিয়ো নানা পৰিহাস উপালম্ভ কৰিলো। সেই অপৰাধ সব ঈশ্বৰ হুয়ো সহিলা। সেই প্ৰিয়তম কৃষ্ণে বঞ্চিত হৈলো। তাহাৰ ষোল্ল হাজাৰ পত্নী ৰাখি আনিতে দুষ্ট গোৱালগণে মোক পৰাজয় কৰিলেক। কৃষ্ণ বিনে মোৰ সেই ধনুশৰ ৰথ ভস্মত হোম যেন নিস্ফল হৈল। যদু বংশো বিপ্ৰ শাপে মোহ হৈয়া বাৰুণী সুৰা পান কৰি অন্যে অন্যে যুদ্ধ কৰি সবে মৰিল ॥ পৰমাৰ্থত ভগৱন্তে যদুকুল সংহৰি ভূভাৰ হৰিলা ইদানিক শ্ৰীকৃষ্ণৰ হাস্য কটাক্ষ পৰিহাস বাক্য স্মৰি মোৰ হৃদয় দহে। বাক্য মনো হৰিল ঃ আৰ কিছো কৰিতে নপাৰো। অৰ্জ্জুনৰ কৃষ্ণ পাদপদ্ম স্মৰিতে মন নিৰ্ম্মল হৈল। ভক্তিতে ঈশ্বৰ প্ৰকাশ পাইলা। শোক মোহ গুচিল। জীৱন মুক্ত হৈলা ॥ কুন্তীয়ো কৃষ্ণৰ বৈকুণ্ঠ পয়াণ যদুকুল নাশ শুনিয়া একান্ত ভক্তিয়ে কৃষ্ণক চিন্তি দেহ এৰি তাহাঙ্কে পাইলা ॥ যুধিষ্ঠিৰে কৃষ্ণৰ এমন কথা শুনি লোকতো কলি প্ৰবেশিবাৰ দেখি স্বৰ্গে চলিতে মন কৰিলা। হস্তিনাপুৰত জম্বুদ্বীপৰ ৰাজা পৰীক্ষিতক পাতিলা ॥ মথুৰাপুৰত সুৰসেন দেশৰ ৰাজা বজ্ৰক পাতিলা ॥ পাচে চন্দ্ৰ অলঙ্কাৰ এৰি কাণি কন্থা পিন্ধি নিৰহঙ্কাৰ হৈলা। কৃষ্ণক হৃদয়ত ধৰি জড় পিশাচৰ বেশে উত্তৰ দিশক গৈলা ॥ তাহান ভ্ৰাতৃগণ মন নিয়ম কৰি কৃষ্ণক হৃদয়ত ধৰি পাচতে লড়িলা ॥ কৃষ্ণৰ ভক্তিয়ে সবাৰো মন নিৰ্ম্মল হৈলা। হৃদয়তে কৃষ্ণৰ দেখিলা। পাচে দেহ এৰি পাৰিষদ হৈয়া বৈকুণ্ঠক গৈয়া কৃষ্ণৰ একান্ত ভক্ত হৈয়া ৰহিলা ॥ দ্ৰৌপদীয়ো পাঞ্চপতিৰ যাইবাৰ দেখি কৃষ্ণক দেখিতে একান্ত মতি দিয়া কৃষ্ণকে পাইলা। বিদুৰো প্ৰভাস ক্ষেত্ৰক যায়া দেহ এৰি পুনু যম হৈলা ॥ বুলবা পাণ্ডৱসব

কৃষ্ণক দেখি স্নেহ ভক্তি কৰি গতি পাইলা। আঠৈৰ লোকৰ কিবা হৌক ইহাত শুনা। এই কৃষ্ণ কথা শ্ৰদ্ধায়ে শ্ৰৱণ কীৰ্ত্তন কৰি সেই গতি পাৱে। আত কিছো সংশয় নাই॥

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে পাণ্ডৱপ্ৰয়াণং নাম পঞ্চদশোঽধ্যায়ঃ।

সামাজিক ডাকি হৰি বোল হৰি।

**শ্লোকঃ—** ৱিনা প্ৰেষ্ঠতমং কৃষ্ণং নানন্দাস্পদমাস্পদম্।
পঞ্চপাণ্ডৱকৃতান্তৈঃ স্ফুটং পঞ্চদশে স্থিতম্॥

## ষোড়শোঽধ্যায়ঃ॥

### ধৰ্ম্ম-পৃথিবী সংবাদ

**কথাঃ**—ষোড়শ অধ্যায়ে ধৰ্ম্ম পৃথিবীৰ সম্বাদ কহিবা। সূতে বোলন্তঃ পাচে পৰম বৈষ্ণৱ পৰীক্ষিত ৰাজা ব্ৰাহ্মণ শিক্ষায়ে পৃথিবী পালিলা। উত্তৰৰ দুহিতা ইৰাবতী কন্যাক বিবাহ কৰিলা। তান্ত জন্মেজয় আদি চাৰি পুত্ৰ হৈলা। তিনি অশ্বমেধ কৰিলা। যাতো দেৱগণ প্ৰত্যক্ষে আসি ভাগ লৈলা। দিগ্বিজয়ত কলি নিগ্ৰহিলা॥ সৌনকে পুছন্তঃ হে সূত পৰীক্ষিতে কেনে কলিক নিগ্ৰহিলা। যাতো শূদ্ৰ হৈয়া ৰাজচিহ্ন ধৰি গোক চৰণে প্ৰহাৰে। আক আমাত কহিয়োক। যদি বিষ্ণু বৈষ্ণৱৰ কথা শ্ৰৱণ হয়ঃ আত বিনে আন মিথ্যা কথাত কি কাৰ্য্য। যাতো লোকৰ আন কথায়ে বৃথায়ে আয়ু যাই। এতেকে আমাৰ সত্ৰ পাতিবাৰ ফল হৰি কথা শ্ৰৱণেসে। সূতে বোলন্তঃ যেখন পৰীক্ষিত ৰাজা নিজ ৰাজ্যত কলি প্ৰৱেশৰ কথা শুনিলাঃ তেখনে ধনুশৰ ধৰি ৰথত চড়ি চতুৰঙ্গ দলে সাজি দিগ্বিজয়

কৰিতে গৈলা। অনুক্ৰমে নব বৰিষ জিনি কৰভাৰ লৈলা। সেই সেই বৰিষত আপুনাৰ পিতামহসবৰ হৰিভক্তি শুনি ঃ আপুনাকো ব্ৰহ্মাস্ত্ৰত হন্তে কৃষ্ণে ৰাখিবাৰ শুনি মহা সন্তোষে তাৰাসবক বস্ত্ৰ অলঙ্কাৰ দিলা। আৰো পাণ্ডৱসবত শ্ৰীকৃষ্ণৰ স্নেহ অনুবৰ্ত্তন শুনি আপুনিয়ো কৃষ্ণ চৰণত ভক্তি কৰিল॥ এমনে ৰাজা হৰি ভক্তি কৰিতে সমীপতে যি আশ্চৰ্য্য ভৈলন্ত তাক শুনা। বৃষৰূপ ধৰ্ম্ম একপাদে ফুৰন্ত ঃ গোৰূপা পৃথিবীক সলোতক দেখি পুছন্ত॥ হে কল্যাণী ঃ তোমাৰ দেহত কিছো নেদেখো॥ তথাপি ম্লান মুখ দেখি মনে চিন্তা কৰা হেন মানো। তাৰ কাৰণ কল্পি পুছন্ত ঃ তোমাৰ স্বামী কি বিদূৰ গৈল ঃ কিবা একপাদ দেখি মোক শোক কৰা ঃ কিবা কলিত অনেক অন্যায় হুইবে তাকে চিন্তা। কিবা কালৰ কালে সৌভাগ্য হৰিলা। কিবা কৃষ্ণ বিয়োগে তাহান লীলাক সুমৰি খেদ কৰা। যি লীলায়ে মোক্ষকো তুচ্ছ কৰে। পৃথিবী বোলন্ত ঃ হে ধৰ্ম্ম তুমি যি কথা পুছিলা আক আপুনি জানা তথাপি কহো ঃ যাহাৰ প্ৰসাদে চাৰি পদে আছিলা ঃ যাহাত সকলে গুণ আছে ঃ লক্ষীৰো নিবাস ঃ হেন কৃষ্ণে বঞ্চিত লোকক শোক কৰো। তুমাৰো তিনি পদ টুটিবাৰ দেখি চিন্তা কৰো ঃ আৰ সকল পাপ কলিয়ে পাইবাৰ দেখি খেদ কৰো ঃ সবাতো কৰি কৃষ্ণ বিৰহ দুঃসহ। ব্ৰহ্মাদিয়ো বহুকাল লক্ষীৰ কটাক্ষ আশায় তপ কৰন্ত ঃ সি লক্ষীয়ো যাৰ পাদ পদ্মক ভজন্ত ঃ মঞেঁা তাহান ধ্বজ বজ্ৰাদি চিহ্নযুক্ত পদে অলঙ্কৃত হৈয়া তিনিও লোকত প্ৰকাশ কৰিলো। পাচে গৰ্ব্ব কৰিবাৰ দেখি মোক প্ৰভু এৰি গৈলা ঃ যি ভগৱন্তে অসুৰ ৰাজাক মাৰি মোৰ ভাৰ হৰিলা ঃ তুমাৰো চাৰি পদ পূৰ্ণ কৰিলা ঃ যাৰ হাস্য কটাক্ষ বাক্যে মানিনীৰো মান হৰে ঃ যাৰ পদে অঙ্কিত হৈয়া মযো ৰোমাঞ্চিত হঞ‍ু

তাহান বিৰহ কোনে সহিব। সূতে বোলন্ত ঃ এমনে ধৰ্ম্ম পৃথিবী কৃষ্ণ কথা কহিতে পৰীক্ষিত ৰাজা লাগ পাইলন্ত।

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে ষোড়শোঽধ্যায়ঃ।

ধৰ্ম্ম পৃথিবীৰ সংবাদ নাম ঃ সবলোক ডাকি হৰি বোল হৰি ॥

**শ্লোক ঃ—** কৃষ্ণৱিশ্লেষসন্তপ্তভূমিধৰ্ম্মকথামৃতে।
ষোড়শে কথিতা কৃষ্ণকথা মোক্ষৰসাশ্ৰয়া ॥

## সপ্তদশোঽধ্যায় ঃ ॥

## কলি নিগ্ৰহ

**কথা ঃ**—সপ্তদশাধ্যায়ে কলি নিগ্ৰহ কহিবা ॥ সূতে বোলন্তঃ তথায়ে ৰাজা গোযুগল ৰাজবেশধৰ শূদ্ৰক দেখিলা। শুক্লবৰ্ণ বৃষ ভয়তে কম্পে ঃ এক পাদ মাত্ৰ আছে। আৰো শূদ্ৰ কোবাৱে। ধেনুৰো বৎস নাই ঃ দুস্খত কান্দতে কৃশ হৈয়াছে। শূদ্ৰে লাথিয়াৱে। এমন দেখি ৰাজা ৰথত থাকি ধনুশৰ ধৰি পুছন্ত। অৰে কোন তঞি ঃ কেনে মোৰ ৰাজাত অন্যায় কৰস ঃ আজি তোক বধিবো ॥ হে বৃষ তুমি কোন ঃ কোনে তোমাৰ তিনি পাদ ভাঙ্গিলে তাক কহা ঃ তাৰ আজি বাহু কাটিবো। যাতো আমাৰ কীৰ্ত্তিকো নষ্ট কৰিলেক ॥ ধৰ্ম্মে বোলন্ত ঃ হে মহাৰাজ ঃ তোমাৰ দুস্খিতৰ দুস্খ শুনিবাৰ যুক্ত হয়। কিন্তু আমি যাৰ হন্তে দুস্খ পাঞো তাৰ নানা বাদীৰ বাদে মোহ হৈয়া নজানো। (যাতে যোগীসবে দুস্খৰ কাৰণ আত্মাক কহে। দৈবজ্ঞসবে গ্ৰহক কহে ঃ মীমাংসকসবে কৰ্ম্মক কহে ঃ ভক্তসবে ঈশ্বৰক কহে।) এতেকে আমি নিশ্চয় কৰিতে নপাৰো। আৰু আপুনি বিচাৰ কৰা ॥ সূতে বোলন্ত ঃ ধৰ্ম্মৰ এহি বাক্য শুনি ৰাজা মনত জানিয়া বোলন্ত ঃ তুমি বৃষৰূপ ধৰ্ম্ম ঃ যাতো

পাপীকো জানিয়ো নকহিলা ঃ কহিলেও আপুনি পাপী হয় ।
তোমাৰ তপ শৌচ দয়া সত্য এহি চাৰিপদ সত্য যুগত আছিল ।
অধৰ্ম্মে তিনি পাদ নাশ কৰিলে ঃ আবে একপাদ মাত্র আছে ঃ
তাকে কলি নষ্ট কৰিতে চাৱে। এঞো গোৰূপা পৃথিবী যাৰ
মহাভাৰ কৃষ্ণে হৰিলা ঃ ইদানিক তান বিয়োগে শোক কৰা ॥
হে ধৰ্ম্ম ঃ হে তুমি ঃ খেদ নকৰিবা। মঞি থাকিতে তোমাৰ
কিছো ভয় নাই ॥ সূতে বোলন্ত এমনে দুইকো আশ্বাস কৰি
কলিক কাটিতে খড়্গ ধৰিলা। কলিয়ো কাটিবাৰ দেখি মহা
ভয়ে তেখনে ৰাজচিহ্ন এৰি ৰাজাৰ চৰণত দণ্ডবতে পৰিলা ॥
ৰাজায়ো শৰণাগত দেখি নকাটি বোলন্ত ঃ আৰে দুষ্ট কলি ঃ
আউৰ মোত হন্তে তোৰ মৰিতে ভয় নাই। কিন্তু মোৰ ৰাজ্যত
নাথাকিবি ঃ তঞি ৰাজাত থাকিলে তোৰ গোষ্ঠী অধৰ্ম্ম অন্যায় দণ্ড
কপট ৰাজ্যত হৈবেক। এতেকে এখনে গুচ। আৰো যি
ৰাজ্যত হৰিভক্তি শ্ৰৱণ কীৰ্ত্তন কৰে তাত কদাচিতো নাথাকিবি ॥
মহা ভয়ে কম্পমান হৈয়া কলি বোলয় ॥ হে মহাৰাজ ঃ মই
গুহা গহ্বৰত থাকিতেয়ো তোমাত হন্তে ভয় নুগুচিব। এতেকে
নিৰ্ণয় কৰি থান দিয়োক। যাত সপৰিবাৰে নিৰ্ভয়ে থাকিম ॥
পৰীক্ষিতে বোলন্ত ঃ জুৱা পাশা স্ত্রী সুবৰ্ণ প্ৰাণীহিংসা স্থানত
সপৰিবাৰে নিৰ্ভয়ে থাক ॥ সূতে বোলন্ত ঃ এহি পাঞ্চ ঠাইত
কলি সপৰিবাৰে বঞ্চিলা। এতেকে যি আপুনাৰ কুশল চাৱে ঃ
সি এতেক ঠাইত ন প্ৰবৰ্ত্তিব। স্ত্রা সুবৰ্ণতো আসক্তি নকৰিব।
ৰাজা এহিমতে কলিক নিগ্ৰহি ধৰ্ম্মৰ তিনি পাদ জোড়াইলা।
লোকতো হৰিভক্তি প্ৰবৰ্ত্তাইলা। পাচে মহাৰাজা মহা সুখে
হস্তিনাপুৰত ৰাজ্য কৰিলা। যাৰ কালতে তোবায়ো এহি সত্ৰ
পাতিছা।

শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে সপ্তদশোঽধ্যায়ঃ।

কলি নিগ্ৰহ নাম। হে সামাজিক সব নিৰন্তৰে হৰি বোল হৰি।

শ্লোক ঃ— হৰিভক্তিযুতে দেশে কলিশক্তিৰ্ন্নিৰ্ব্বত্যতে।
ইতি সপ্তদশাধ্যায়ে কথিতং কলিনিগ্ৰহে॥

## অষ্টাদশোঽধ্যায়ঃ॥

### পৰীক্ষিতৰ ব্ৰহ্মশাপ

**কথা ঃ**—অঠৰ অধ্যায়ে ব্ৰহ্মশাপ কহিবা॥ সূতে কহন্ত ঃ যেখন শ্ৰীকৃষ্ণ বৈকুণ্ঠক গৈলা ঃ তেখন কলি প্ৰবেশিয়ো পৰীক্ষিত ৰাজ্যত প্ৰভাব নকৰিলা। যাতো ৰাজা মহাগুণ দেখি দুষ্ট কলিকো নবধিল॥ যাত ইচ্ছা মাত্ৰে হৰিভক্তি হয়। পাপ পুনু কৰিলেসে হয় ঃ আৰো হৰি ভক্তক দেখি ভয় কৰে। অভক্তক বাঘে যেন ধাৱে॥ পাচে ৰাজা ব্ৰাহ্মণৰ শাপে তক্ষক মৃত্যুতো ভয় নকৰিলা। কিন্তু সৰ্ব্ব সঙ্গ তেজি শুক মুখে কৃষ্ণক সাক্ষাত জানি তাহাঙ্কে চিন্তি গঙ্গাত দেহ এৰিলা। বিচিত্ৰ নেদেখিবা। যাৰা কৃষ্ণ কথা শ্ৰৱণ কীৰ্ত্তন কৰে মনে পাদপদ্ম স্মৰে তাৰা মৃত্যুত ভয় নকৰে। মই ৰাজা কৃষ্ণকথা যুক্ত পৰীক্ষিতৰ চৰিত্ৰ কহিলো ঃ আন কি বিস্তৰ কহিলো। পুৰুষৰ এইমানে কৰ্ত্তব্য ঃ সদায়ে কৃষ্ণ কথা শুনিবা॥ শৌনকে পুছন্তঃ হে সূত চিৰায়ু হৱা। যাতো আমাৰ কৃষ্ণ কথায়ে সংসাৰ গুছাৰে আৰো নানান বিঘ্নি দেখি আমাৰ কৰ্ম্মতো বিশ্বাস গুছিল। ধূমে ধূম্ৰ বৰ্ণ শৰীৰৰ হৈল। এতেকে কেবলে কৃষ্ণ কথামৃত পান কৰাৱা যাতো বিষ্ণু ভক্তৰ একক্ষণ সঙ্গে স্বৰ্গ মৰ্ত্ত্য মোক্ষ সুখো তুল্য নুই। এতেকে সাধু সঙ্গত হৰি কথা শুনি তাৰ ৰস জানি কোনে তৃপিতি নহৈবেক॥ ব্ৰহ্মা

মহেশো যাৰ গুণৰ অন্ত নপান্ত। সেই কৃষ্ণ কথা শুক পৰীক্ষিত সম্বাদে কহা। যাক শুনি ৰাজা মোক্ষনাম কৃষ্ণ পদ যুগল পাইলা। যাতো জ্ঞান যোগ কৰ্ম্ম যোগ ভক্তি যোগ কহিছে। সেই ভাগৱত পুৰাণ সাৰশেষ কহা। সূতে বোলন্ত ঃ অহো আজি আমাৰ জন্ম সাফল হৈল। যাতো সন্তসবে আদৰিলা। তোমাৰ লগত সামান্য কথাতো মঞি অকুলীন হেন মনৰ চিন্তা গুচিল। হৰি কথা কহিলে গুচিবেক তাক কি বুলিবো। ব্ৰহ্মাদিকো এৰি লক্ষ্মা যাৰ চৰণ সেবা কৰো। যাৰ পাদোদক গঙ্গায়ে সবলোক পবিত্ৰ কৰে। যাৰ ভক্তি পৰম গতি পাই। সেই কৃষ্ণ বিনে আন কোন পৰমেশ্বৰ আছে। এতেকে তাহান কথা মতি অনুসাৰে কহো সাবধান মনে শুনা। একদিনা পৰীক্ষিত ৰাজা ধনু শৰ ধৰি মৃগয়া কৰিতে বনক গৈলা। মৃগক খেদি ক্ষুধায়ে তৃষায়ে শ্ৰান্ত হৈলা॥ জল খুজিতে শমীক মুনিৰ আশ্ৰম গৈলা। দেখন্ত ঃ মুনি চক্ষু মুদি সমাধি কৰি আচন্ত॥ এমন মুনিতো তৃষায়ে আকুল হৈয়া জল খুজিলা॥ পাচে দান সমিধান একো নপাই অবজ্ঞা কৰিলে মানি ক্ৰোধ কৰিলা॥ ই ব্ৰাহ্মণে মিছায়ে সমাধি ধৰি মোক নমাতিলা। আৰ আজি বোল বুঁঝু॥ এহি বুলি মৰা সৰ্প ধনুৰ আগে আনি মুনিৰ গলত দিয়া গৃহক গৈলা॥ পাচে তান পুত্ৰ শৃঙ্গী বাৰ্ত্তা পায়া ক্ৰোধে ছৱালসবৰ আগতে বোলন্ত। অহো ৰাজাৰ অন্যায় দেখ। দাস হৈয়া স্বামীক অপকাৰ কৰে ঃ ব্ৰাহ্মণসবে ক্ষত্ৰিয়ক ৰাজা পাতিছে ঃ সি কেনে আমাক দ্ৰোহ কৰে ঃ দুষ্টৰ নিয়ন্তা কৃষ্ণ বৈকুণ্ঠক গৈলে আৰা এতেক অন্যায় কৰে। আজি মঞিঁ দণ্ডিবো ঃ মোৰ বল দেখ। এহি বুলি কৌষিকী জলত আচন্ত কৰি ৰাজাক সপ্ত দিনত তক্ষকে দংশোক বুলি শাপ দিলা। পাচে আশ্ৰমে আসি পিতৃৰ গলত সৰ্প দেখি উচ্চ কৰি কান্দন্ত।

পুত্ৰৰ বিলাপ শুনি শমীকে চক্ষু মেলি সৰ্প গুচাই পুছন্ত। হে বালকঃ কেনে ক্ৰন্দন কৰস কোনে তোক অপকাৰ কৰিলেক। পাচে শৃঙ্গী ৰাজাক শাপিবাৰ কথা কহিলা। তাক শুনি পুত্ৰক নিন্দা কৰন্ত। অহো দুষ্ট পুত্ৰ কি অন্যায় কৰিলি ঃ ৰাজাকো শাপিলি যাতো ৰাজা নষ্ট হৈলে লোকত চৌৰ খাণ্ট হইবেক। প্ৰজায়ো নানা দুস্খ পাইবেক। সি পাতেকে তোক পাইবেক। বিশেষত পৰীক্ষিত চক্ৰবৰ্ত্তী ৰাজা। মহা ধৰ্ম্মপৰ ঃ আৰো হৰি ভক্ত মহাশ্ৰান্ত হৈয়া আমাত খুজিলন্ত। আহ্ম কেনে শাপ দিলি ঃ ই পাপৰ আন প্ৰায়শ্চিত্ত নেদেখি কৃষ্ণক প্ৰাৰ্থন্ত। হে কৃষ্ণ ঃ অনা অপৰাধী তোমাৰ ভক্তক অবোধ ছৱালে অপকাৰ কৰিলে। তাক সৰ্ব্বাত্মা তুমি ক্ষমা কৰা॥ সূতে বোলন্ত ঃ হৰিভক্তসবে অপকাৰ কৰিলেও সমৰ্থ হুয়া প্ৰতিকাৰ নকৰন্ত। এতেকে শমীকেও পুত্ৰৰ অপৰাধতো তাপিত হৈলা ঃ ৰাজাৰ অপৰাধ নুশুনিলা। যাতো সাধুসবে পৰৰ দুস্খেসে দুস্খা হৈয়া আপুনাৰ দুস্খ নুগুণে॥

শ্ৰীভাগৱতকথায়াং প্ৰথমকন্ধে অষ্টাদশোহধ্যায়ঃ।

বিপ্ৰশাপ নাম। সৰ্ব্বজন ডাকি হৰি বোল হৰি।

**শ্লোক ঃ—** প্ৰশ্নস্বভাগ্যসিদ্ধান্তশাপতাপানুবৰ্ণনৈঃ।
অষ্টাদশে সুনিৰ্ণীতং সৎকথাশ্ৰৱণং নৃণাম্॥

# উনত্রিংশোঽধ্যায়ঃ ॥

## পৰীক্ষিতৰ বৈৰাগ্য

**কথা** ঃ—উনৈশ অধ্যায়ে ৰাজাৰ বৈৰাগ্য শুকৰ আগমন কহিব ॥ সূতে বোলন্ত ঃ পাছে পৰীক্ষিত ৰাজা গৃহক আসি স্নান পান ভোজন কৰি মনত গুণন্ত। অহো মঞি কি অন্যায় কৰিলো ঃ বিনা অপৰাধে ব্ৰাহ্মণৰ গলত সাপ দিলো। এই অপৰাধে মোৰ মহা দুখ হৌক ঃ তেবে সেই পাপৰ প্ৰায়শ্চিত্ত হয়। পুনু যেন এমন অন্যায় নকৰো ঃ আৰ এখনে মোৰ ৰাজ্যভাৰ সম্পত্তি নাশ হৌক। তেবেসে ব্ৰাহ্মণ বৈষ্ণৱক অপ-কাৰ কৰিতে মন নুহিবেক। এমন চিন্তিতে শমীকৰ শিষ্যে কহিলেক। ৰাজা তোমাক শৃঙ্গী শাপে সাত দিনত তক্ষকে খাইবেক। যেমন পাৰা সাবধান হৱা। তাক শুনি ৰাজা ভাল মানিলা। পাচে জন্মেজয় পুত্ৰক ৰাজ্যভাৰ দিয়া বিশিষ্ট মৰণ ইচ্ছায়ে গঙ্গা তীৰক গৈলা। সকল সঙ্গ এৰি কৃষ্ণৰ চৰণ চিন্তিতে লাগিলা ঃ তেখনে তীৰ্থ যাত্ৰা চলে ৰাজাক দেখিতে জগত পাবন মুনিগণ শিষ্য সমে আসিলা। তাৰাসবক দেখি ৰাজা নমস্কাৰ কৰি পাদ্য অৰ্ঘ্য আচমন দিয়া পূজা কৰিলা। তাৰা সুখে বসিলে ৰাজা পুনু প্ৰণাম কৰি অঞ্জলি ধৰি গোচৰ কৰন্ত ॥ হে মহা মুনিসব ঃ ৰাজাৰ মাজত আমি ধন্যতম। যাতো তোৰা আসি অনুগ্ৰহ কৰিলা ঃ ইটো ৰাজাৰ পৰম দুৰ্লভ। মই পাপীৰ বিপ্ৰশাপে অনুগ্ৰহসে ভৈল। যি শাপে গৃহাসক্তো বিৰক্ত হয়। এতেকে মই কৃষ্ণত শৰণ লৈলো। আৰ তোৰা জানিবা মাৱ গঙ্গা তুমিও জানিবা ঃ মোক তক্ষকে খাউক তাত কিছো চিন্তা নাই। কিন্তু তোৰা হৰি কথা কহিয়োক আৰো যেই সেই জন্ম হৈলেও কৃষ্ণত ৰতি হৌক ঃ বৈষ্ণৱৰ

সঙ্গ হৌক ঃ ভূত দয়া নচাৰোক ঃ এহিমানে প্ৰাৰ্থনা কৰো ॥ সূতে বোলন্ত ঃ ৰাজা এহি নিশ্চয় কৰি গঙ্গাৰ দক্ষিণ কূলে মুখে কুশাসনে বসিলা। তাক দেখি দেৱতাসবে দুন্দুভি বাদ্য কৰিলা ঃ সাধু সাধু বুলি পুষ্প বৰষিলা। ঋষিসবে প্ৰশংসা কৰি বোলন্ত। হে মহাৰাজা ঃ তোমাৰ নিশ্চয় ই চিত্ৰ নহে। যাতো তোমাৰ পিতামহ পাণ্ডবসবে কৃষ্ণক আশ্ৰয়ে সাৰ্ব্বভৌম পদ ক্ষণেকে এৰিলা। এতেকে ৰাজা যাবে দেহ এৰি পৰম গতি পাৱে তাবে আমি ৰহিম। ঋষিসবৰ এহি বাক্য শুনি প্ৰণাম কৰি হৰি কথা শ্ৰৱণ ইচ্ছায়ে বোলন্ত ঃ হে মহা মুনিসব ঃ মোক কৃপায়ে নানা থান হন্তে আসিছা। এতেকে তোৰাত মই প্ৰশ্ন কৰো। পুৰুষৰ কি সময়ত কি কৰ্ত্তব্য তাক নিৰ্ণয় কৰি কহিয়োক। তাতে কেহ যোগ ঃ কেহো যাগ ঃ কেহো তপ ঃ কেহো জপ ঃ কেহো যজ্ঞ ঃ কেহো দান কহন্ত। সবাৰে এক মতি নহে ঃ ৰাজায়ো সিদ্ধান্ত নপান্ত। তেখনে ব্যাসৰ নন্দন শ্ৰীশুকদেব উপনীত ভৈল ॥ যাতো নিৰপেক্ষ হৈয়া যদৃচ্ছায়ো পৃথিবী ফুৰন্ত। অবধূত বেশ দেখি লোকে চিনিতে নপাৰি ছৱালগণে আবৰি ফুৰে ॥ শ্যাম শৰীৰ দিগম্বৰ ঃ প্ৰলম্ব বাহু নীলাকুঞ্চিত কেশ ॥ সৰ্ব্বাঙ্গ সুন্দৰ ঃ কৃষ্ণৰে সমান ৰূপ। তাঙ্ক দেখি তেখনে মুনিসব উঠিলা। পাচে পৰীক্ষিত ৰাজা দণ্ডবতে নমস্কাৰ কৰি আপুনি চৰণ ধুৱাইলা। পাদ্য অৰ্ঘ্য আচমনী মধুপৰ্ক দিয়া বস্ত্ৰ অলঙ্কাৰে গন্ধ চন্দন পুষ্পে-ভূষিত কৰাইলা। ধূপ দীপ নৈবেদ্য আগ কৰি দেহ অৰ্পিলা। তাক দেখি অবোধ ছৱাল স্ত্ৰীসবে নিবৰ্ত্তিয়া গৈলা। পাচে শ্ৰীশুক দেৱ দেৱঋষি ব্ৰহ্মঋষি ৰাজঋষি যুক্ত সভাৰ মাজত বসি নক্ষত্ৰৰ মাজে চন্দ্ৰ হেন প্ৰকাশিলা। শান্ত সৰ্ব্বজ্ঞ শুকক ৰাজা পুনু প্ৰণাম কৰি পুছন্ত ঃ হে মহামুনি কৃপায়ে আমাৰ থানক আসি

আমাক পবিত্ৰ কৰিলা। তোমাক সুমৰিলি লোক যে সত্যে শুদ্ধ হয়। দৰ্শন পৰ্শন পাদ প্ৰক্ষালণ কৰি শুদ্ধ হৈবেক তাক কি বুলিবো। আজি মোত পাণ্ডবৰ প্ৰিয় কৃষ্ণ তুষ্ট হৈলা। তাৰাৰ প্ৰীতিৰ অৰ্থে তোমাক পঠাই মোক স্বীকাৰ কৰিলা। কৃষ্ণ কৃপা বিনে মৰণ সময়ে কেনে তোমাক দেখিলো হই। এতেকে তোমাক মই প্ৰশ্ন কৰো। পুৰুষৰ মৰণ সময়ত কি কৰ্ত্তব্য ঃ কি অকৰ্ত্তব্য ঃ কাক ভজিব ঃ কি শুনিব ঃ কি জপিব ঃ কি চিন্তিব ঃ আক মোক এখনে কহিয়োক। যাতো গৃহস্থৰ গৃহত তোমাক গোদোহন কাল নেদেখি। সূতে বোলন্ত ঃ এমনে ৰাজা মধুৰ বচনে প্ৰশ্ন কৰিলে শ্ৰীশুকে প্ৰসন্ন হৈয়া কহিতে লাগিলা ॥

শ্ৰীভাগৱতকথায়াং কৱিৰত্নকৃতায়াং প্ৰথমস্কন্ধে উনবিংশোহধ্যায়ঃ ॥

## ৰাজাৰ বৈৰাগ্য শুকাগমন নাম ॥

ই স্কন্ধ এহিমানে সমাপতি। হে সামাজিকসবঃ এহিমানে প্ৰথম স্কন্ধৰ সংক্ষেপে সাৰ তুলি কথা নিবন্ধিলো ঃ আত কৃষ্ণ কথা বুলি বৈষ্ণৱসবে ৰতি কৰিবন্ত। পণ্ডিতসবো মোৰ শ্ৰম দেখি আদৰিবন্ত। সামান্য জনো আতি সুগম দেখি সততে ধৰিবন্ত। যদি কেহো জনে হঠাৎ অৰ্থ আন দেখি নিন্দা কৰন্ত ঃ তাঙ্কো প্ৰিয় বাক্য বলো ঃ ভাষ্য টীকা পূৰ্ব্বাপৰ সম্প্ৰদায় দেখিয়ো যদি অৰ্থ আন দেখি নিন্দা কৰিবা। তথাপিয়ো মোৰ দোষ নাই ঃ সাগৰসঙ্কাশ শ্ৰীভাগৱত ঃ মঞি পৰমাণু প্ৰায় কি কথা বুলিম। কিন্তু শ্ৰীদামোদৰৰ আজ্ঞায়ে মতি অনুসাৰে কহিলো ঃ আক কহিলে শুনিলে পুনু মহাফল আছে। এহি স্কন্ধত পঞ্চম অধ্যায়ত নাৰদে কহিছন্ত ঃ সেই বাক্যে হৰিগুণ

যুক্ত হৈলে জগৎ পবিত্ৰ কৰে ঃ মহন্তসবে শ্ৰৱণ কীৰ্ত্তন কৰে। আক জানি কৃষ্ণকথা নিতে কহিয়োক শুনিয়োক। যাতো কলিযুগে লোকৰ আন মতে নিস্তাৰ নাই। মঞিঁ কায় বাক্য মন শুদ্ধ কৰিবাক লাগি কৃষ্ণকথা নিবন্ধিলো। আক জানি সবলোক ডাকি হৰি বোল হৰি॥

শ্লোক ঃ— নৃণামাসন্নমৃত্যূনাং প্ৰথমান্তে নিৰূপিতম্
কৃতং কৃষ্ণপদাম্ভোজসেৱনং তৎকথাৰতিঃ।
সমাপ্তা প্ৰথমস্কন্ধকথা সংক্ষেপৰূপিণী।
লিখিতা কৱিৰত্নেন বৈষ্ণৱপ্ৰীতিদায়িনী॥
ৱন্দে দামোদৰং শান্তং সৎকথাশ্ৰৱণোৎসুকম্
যদাজ্ঞয়া ময়া কৃষ্ণকথা লোকহিতে কৃতা॥

প্ৰথম স্কন্ধ সমাপ্ত

———

51

HANUMAN BUX KANOI LIBRARY
No. A878
Date 2-11-57
DIBRUGARH COLLEGE

Dibrugarh H. S. K. College Library.

DATE LABEL.

This book must be returned within 10 days from the date of issue to avoid dislocation in the issue system.

| Date of issue | Date of issue | Date of issue |
|---|---|---|
| 9 JAN 1960 | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |

89